www.newsnextone.com
e সংবাদ

### নৱনিৰ্বাচিত ৫ বিধায়কৰ শপত

**ই-সংবাদ, ২৯ নৱেম্বৰঃ** উপ-নিৰ্বাচনত বিধায়ক নিৰ্বাচিত বিজেপিৰ তিনিজন, অগপৰ ২ পৃষ্ঠাত চাওক

### আজি একেখন মঞ্চত অখিল-লুৰীণ!

**ই-সংবাদ, ২৯ নৱেম্বৰঃ** কংগ্ৰেছক একাষৰীয়া কৰি শনিবাৰে মিলিত হ'ব ৰাজ্যৰ তিনি ৪ পৃষ্ঠাত চাওক

SATURDAY, NOVEMBER 30, 2024 ■ শনিবাৰ, ১৪ আঘোণ, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ প্ৰথম বছৰ, সংখ্যা ৩২৭ Guwahati, Assam ।। মূল্যঃ এটকা

## যুঁজ আৰম্ভ ■ হিমন্তক প্ৰত্যুত্তৰ দিবলৈ অসমলৈ আহিব হেমন্ত

# ঝাৰখণ্ডৰ কেবিনেটত অসমক লৈ বিশেষ সিদ্ধান্ত!



চুবুৰীয়া মণিপুৰত অস্থিৰ পৰিস্থিতিৰ মাজতে কাছাৰত নিশাৰ ভাগত টহল অসম আৰক্ষীৰ, শুকুৰবাৰে

**ই-সংবাদ, ২৯ নৱেম্বৰঃ** নিৰ্বাচনী ভাষণত দিয়া প্ৰতিশ্ৰুতি অনুসৰি ঝাৰখণ্ডৰ সৈতে শিপাডাল জড়িত অসমত বসবাস কৰি থকা আদিবাসী আৰু চাহ জনগোষ্ঠীৰ লোকসকলৰ বাবে ঝাৰখণ্ডৰ নৱ-নিৰ্বাচিত চৰকাৰে এখন বিশেষ সমিতি গঠনৰ প্ৰস্তাৱ গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰী শেষাংশ ৩ পৃষ্ঠাত

## ৰাজধানী দিল্লীৰ বিদ্যালয়ে বিদ্যালয়ে এতিয়া বোমাতংক

**নতুন দিল্লী, ২৯ নৱেম্বৰঃ** বৃহস্পতিবাৰে দিল্লীৰ প্ৰশান্ত বিহাৰত বিস্ফোৰণ হোৱাৰ লগতে শুকুৰবাৰে ৰোহিণী অঞ্চলৰ এখন ব্যক্তিগত বিদ্যালয়ত বোমাতংকৰ সৃষ্টি হয়। ৰোহিণীৰ বিদ্যালয়খনলৈ ভাবুকি প্ৰদান কৰি ই-মেইল প্ৰেৰণ কৰিছিল। বিদ্যালয়খন উৰুৱাই দিয়াৰ শেষাংশ ৪ পৃষ্ঠাত

### ছাত্ৰৰ আক্ৰমণত আহত ছাত্ৰ

## শিৱসাগৰত বিদ্যালয়ত অঘটন

**ই-সংবাদ, শিৱসাগৰ, ২৯ নৱেম্বৰঃ** শিৱসাগৰ চহৰস্থিত এখন বিদ্যালয়ৰ চৌহদত শুকুৰবাৰে সংঘটিত হয় এক ভয়ানক ঘটনা। ষষ্ঠ শ্ৰেণীৰ এজন ছাত্ৰক আন দুই ছাত্ৰই শেষাংশ ৫ পৃষ্ঠাত

## মৰিগাঁৱত পোকে প্ৰাণ ল'লে এজনৰ

**ই-সংবাদ, মৰিগাঁও, ২৯ নৱেম্বৰঃ** মৰিগাঁৱত অচিন বিষাক্ত পোকৰ দংশনত এজন ব্যক্তিৰ মৃত্যুক কেন্দ্ৰ কৰি ব্যাপক আতংকৰ সৃষ্টি হৈছে। ইতিমধ্যে বিষাক্ত শেষাংশ ৪ পৃষ্ঠাত

## নামতোলাৰ মুছলেকৰ মুক্তিপণ ২৫ লক্ষ টকা দাবী নগাৰ, ভিডিঅ' মুকলি



**ই-সংবাদ, সোণাৰি, ২৯ নৱেম্বৰঃ** চৰাইদেউ জিলাৰ অসম-নাগালেণ্ড সীমান্তৰ নামতোলাৰ নিজা ব্যৱসায়িক প্ৰতিষ্ঠানৰপৰা বন্দুক দেখুৱাই ভয়-ভাবুকিৰে টনা-আঁজোৰা শেষাংশ ২ পৃষ্ঠাত

## প্ৰাক্তন আছু নেতা দুলদুল আৰু নাই

**ই-সংবাদ, ২৯ নৱেম্বৰঃ** বিহালীৰ উপ-নিৰ্বাচনৰ প্ৰচাৰৰ সময়ত হঠাতে অসুস্থ হোৱা সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰাক্তন সহকাৰী সম্পাদক তথা অসম জাতীয় শেষাংশ ২ পৃষ্ঠাত

## এবছৰ অধিৱেশনলৈ আহিব অমিত শ্বাহ

**ই-সংবাদ, কোকৰাঝাৰ, ২৯ নৱেম্বৰঃ** নিখিল বড়ো ছাত্ৰ সন্থা চমুকৈ এবছুৰ ৫৭ সংখ্যক কেন্দ্ৰীয় অধিৱেশন এইবেলি বড়োফা উপেন্দ্ৰ নাথ ব্ৰহ্মৰ জন্মস্থান কোকৰাঝাৰ জিলাৰ দোতমাত অনুষ্ঠিত হ'ব। অহা ৬ ফেব্ৰুৱাৰীৰ পৰা চাৰিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হ'বলগীয়া এবছুৰ কেন্দ্ৰীয় অধিৱেশনক লৈ ইতিমধ্যে প্ৰস্তুতি আৰম্ভ হৈছে। ইয়াৰে অংশস্বৰূপে শুকুৰবাৰে দোতমা আঞ্চলিক ক্ৰীড়া সন্থাৰ ইণ্ডোৰ ষ্টেডিয়ামত এবছুৰ কেন্দ্ৰীয় অধিৱেশনৰ শেষাংশ ৫ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# নামতোলাৰ মুছলেকৰ মুক্তিপণ ২৫ লক্ষ

কৰি বলপূৰ্বকভাৱে গাড়ীত উঠাই লৈ যোৱা ব্যৱসায়ী মোছলেক আলীৰ মুক্তিৰ দাবীত আজি নাগালেণ্ডৰ বিৰুদ্ধে পথ অৱৰোধ কাৰ্যসূচী গ্ৰহণ কৰা হয়। আজি পুৱা পাঁচ বজাৰ পৰা নামতোলা ব্যৱসায়ী সন্থা, নামতোলাৰ এজেৱাইচিপি, আটছা, আছা আৰু আগছুৰ স্থানীয় সমিতিসমূহে গ্ৰহণ কৰে পথ অৱৰোধ কাৰ্যসূচী। চৌৰিশ ঘণ্টাৰ বাবে গ্ৰহণ কৰা পথ অৱৰোধৰ ফলত নামতোলাৰ ব্যৱসায়িক প্ৰতিষ্ঠানসমূহ বন্ধ হৈ পৰাৰ লগতে সোণাৰিৰ পৰা নাগালেণ্ড অভিমুখী বাহনসমূহৰ চলাচল বন্ধ হৈ পৰাৰ ফলত নাগালেণ্ডৰ সৈতে চৰাইদেউ জিলাৰ যোগাযোগ বিচ্ছিন্ন হৈ পৰে। যাৰ ফলত চৰাইদেউ জিলা প্ৰশাসন আৰু নাগালেণ্ডৰ মন জিলা প্ৰশাসনৰ বিষয়াৰ উপস্থিতিত আবেলি অনুষ্ঠিত হোৱা এক আলোচনা মৰ্মে সাময়িকভাৱে পথ অৱৰোধ কাৰ্যসূচী বাৰ ঘণ্টালৈ হ্ৰাস কৰে দল-সংগঠনসমূহে। আনহাতে, শুকুৰবাৰে পুৱা নাগালেণ্ডৰ কন্যাক ইউনিয়নে বিষয়টো সন্দৰ্ভত নামতোলাৰ দল-সংগঠনৰ সৈতে আলোচনা কৰাৰ পাছত পৰৱৰ্তী কাৰ্যসূচী গ্ৰহণ কৰা হ'ব বুলি জানিবলৈ দিছে নামতোলা ব্যৱসায়ী সন্থাই। উল্লেখ্য যে, অসম-নাগালেণ্ড সীমান্তৰ নামতোলাৰ ওপৰতে নিৰ্ভৰশীল চুবুৰীয়া ৰাজ্য নাগালেণ্ডৰ মন জিলাৰ টিজিতকে ধৰি পাৰ্শ্বৱৰ্তী অঞ্চলৰ জনসাধাৰণৰ দৈনিক জীৱন আৰু জীৱিকা। ইফালে, নগা বিদ্ৰোহী সংগঠন এনএছচিএন কে-ৰ আংমাই গোটে ২৫ লাখ টকাৰ বিনিময়ত ড্ৰাগছ সৰবৰাহৰ অভিযোগত অপহৰণ কৰি লৈ যোৱা ব্যৱসায়ী মোছলেক আলীৰ মুক্তিৰ দাবী উত্থাপন কৰিছে নাগালেণ্ডৰ মন জিলাৰ সৰ্ববৃহৎ তথা প্ৰধান সংগঠন কন্যাক ইউনিয়নে। নামতোলাৰ অপহৃত মোছলেক আলীক চৌৰিশ ঘণ্টাৰ ভিতৰত নিঃচৰ্ত মুক্তিৰ দাবী জনাইছে নগালেণ্ডৰ কন্যাক ইউনিয়নে। এই নিয়ম মানি চলাত ব্যৰ্থ হ'লে কন্যাক ইউনিয়নে নগা বিদ্ৰোহী সংগঠন এনএছচিএন-কে (আং মাই) গোটৰ সৈতে ৰাজহুৱা অসহযোগ ঘোষণা কৰিবলৈ বাধ্য হ'ব বুলি সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা এক বিজ্ঞপ্তিত প্ৰকাশ কৰিছে। বিজ্ঞপ্তি অনুসৰি, কন্যাক আৰু অসমীয়া লোকৰ মাজত থকা শান্তি আৰু সম্প্ৰীতি বিঘ্নিত কৰাৰ ভাবুকি কঢ়িয়াই অনা কোনো অবৈধ কাৰ্যকলাপৰ সমৰ্থন নকৰে কন্যাক ইউনিয়নে। নামতোলাৰ বাসিন্দা মুছলেক আলীক দোকানৰ পৰা বলপূৰ্বকভাৱে লৈ যোৱা ঘটনাত গভীৰ উদ্বেগ প্ৰকাশ কৰি নাগালেণ্ডৰ মন জিলাৰ কন্যাক ইউনিয়ন (কে ইউ) এন এছ চি এন-কে (আং মাই) গোটৰ এনে কাৰ্যৰ বিৰোধিতা কৰিছে। কন্যাক ইউনিয়নে কয় যে কোনো লোকৰ বিৰুদ্ধে যিকোনো অভিযোগ, অপৰাধ বা কাৰণ যিয়েই নহওক কিয়, সঠিক আৰু বৈধ উপায়েৰে সমাধান কৰিব লাগিব, অপহৰণ বা অপহৰণৰ কাৰ্যৰ জৰিয়তে নহয়। এনে কাৰ্যই অপ্ৰয়োজনীয় উত্তেজনা আৰু অনাস্থাৰহে সৃষ্টি কৰে। আনহাতে, কন্যাক ইউনিয়নে উৎসৱৰ বতৰ ওচৰ চাপি অহাৰ লগে লগে এনে কাৰ্যই দৈনন্দিন কাম-কাজ, ব্যৱসায়িক আদান-প্ৰদান, ছাত্ৰ-ছাত্ৰী আৰু ৰোগীৰ চলাচলত ব্যাঘাত জন্মোৱাৰ লগতে কন্যাক আৰু অসমীয়া দুয়োটা সম্প্ৰদায়ৰ সম্প্ৰীতিত প্ৰভাৱ পেলাব বুলিও আশংকা প্ৰকাশ কৰিছে বিজ্ঞপ্তিটোত। ঘটনাটোক লৈ অঞ্চলজুৰি অব্যাহত আছে প্ৰতিক্ৰিয়া।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# প্ৰাক্তন আছু নেতা দুলদুল আৰু নাই

পৰিষদৰ নেতা দুলদুল বৰকটকীৰ আজি চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰাক্তন সহকাৰী সম্পাদক তথা অসম জাতীয় পৰিষদৰ কেন্দ্ৰীয় যুটীয়া সম্পাদক দুলদুল বৰকটকীয়ে মাথো ৪৭ বছৰ বয়সত পৃথিৱীৰ পৰা চিৰবিদায় মাগে। উপ-নিৰ্বাচনৰ প্ৰচাৰৰ সময়ত বিশ্বনাথ চাৰিআলিত ৰক্তচাপজনিত ৰোগত আক্ৰান্ত হৈ গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন হৈ আছিল। জাতীয়তাবাদী নেতাগৰাকীয়ে আছু ত্যাগ কৰি ২০২১ অসম জাতীয় পৰিষদত যোগদান কৰি বিশ্বনাথ বিধানসভা সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰিছিল। ৰাজনীতিৰ পথাৰত ভৰি দিছিল যদিও বেছিদিন ৰাজনীতিৰ পথাৰত সক্ৰিয় হৈ থাকিবলৈ নিদিলে নিয়তিয়ে। বিশ্বনাথ চাৰিআলি সমষ্টিত ৰাজনৈতিকভাৱে ভেটি শক্তিশালী কৰিবলৈ তৎপৰ হোৱাৰ সময়তে বিহালীৰ চিপিআইএমএল দলৰ প্ৰাৰ্থীগৰাকীৰ হৈ প্ৰচাৰত ব্যস্ত থকাৰ সময়ত হৃদজনিত ৰোগত আক্ৰান্ত হৈছিল। ১৯৭৭ চনৰ ৬ মাৰ্চত জন্ম গ্ৰহণ কৰা দুলদুল বৰকটকী ছাত্ৰৱস্থাৰ পৰাই সদৌ অসম ছাত্ৰ সন্থাৰ সৈতে জড়িত হৈ ছাত্ৰ ৰাজনীতি কৰিছিল। স্থানীয় শাখা সমিতিৰ পৰাই আছু কৰা বৰকটকীয়ে আছুৰ কেন্দ্ৰীয় সমিতিলৈ দীৰ্ঘ পৰিক্ৰমাৰ বাবে সংগ্ৰাম কৰিছিল। আছুত থকা কালত এগৰাকী কঠোৰ আৰু সমৰ্পিত নেতা বুলি সকলোৱে জানিছিল। আৰ্থিক সংকটৰ পিছতো দুলদুল বৰকটকীয়ে আছু ত্যাগ কৰি আঞ্চলিক দলত যোগদান কৰি এক নজিৰ সৃষ্টি কৰিছিল। কাহানিও জীৱন দৰ্শণ, আদৰ্শ পদঘাট নকৰি যুঁজি গৈছিল। দুলদুল বৰকটকীয়ে এক নিৰ্দিষ্ট সময়ত নৱপ্ৰজন্মৰ বাবে বাট মুকলি কৰি দিয়াৰ মানসৰে ছাত্ৰ সন্থাৰ মজিয়া ত্যাগ কৰি আঞ্চলিক দল অসম জাতীয় পৰিষদত যোগদান কৰিছিল। শাসক পক্ষৰ পৰা সুবিধা লোৱাৰ পৰা শতযোজন দূৰত আছিল। আজি দুলদুল বৰকটকীৰ জীৱন বন্তি নুমাই যোৱাত বিশ্বনাথ চাৰিআলিবাসীয়ে এটা আপোচবিহীন সংগ্ৰামী সত্তাক হেৰুৱালে। অসম জাতীয় পৰিষদে কটকীৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰি কয় যে বৰ্তমান সময়ৰ অসমৰ জাতীয়তাবাদী ভাবধাৰাৰ লগত নিৰবিছিন্ন তথা নিৰ্মোহভাৱে জড়িত হৈ থকা এজন নিঃস্বাৰ্থ সৈনিকে আমাৰ মাজৰ পৰা বিদায় মাগিলে। বৰ কঠিন সময়। দুলদুল বৰকটকী, মধ্য অসমৰ জাতীয়তাবাদী ভাৱধাৰাৰ এটা অতি পৰিচিত নাম। অসম জাতীয় পৰিষদৰ সমূহ পৰিয়ালৰ তৰফৰ পৰা তেখেতৰ বিদেহী আত্মাৰ সদগতি বাবে প্ৰাৰ্থনা জনাইছো। প্ৰাক্তন সাংবাদিক তথা প্ৰদেশ কংগ্ৰেছৰ নেতা বেদব্ৰত বৰাই কটকীৰ মৃত্যুত মৃত্যুৰ গভীৰ শোক প্ৰকাশ কৰি এই মৃত্যু জাতীয়তাবাদী আৰু আঞ্চিলতাবাদী ধাৰাটোৰ বাবে অপূৰণীয় ক্ষতি বুলি কয়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# নৱনিৰ্বাচিত ৫ বিধায়কৰ শপত

এজন আৰু ইউপিপিএলৰ এজন নৱ-নিৰ্বাচিত বিধায়কে আজি অসম বিধানসভাত শপত লয়। বিহালীৰ বিধায়ক দিগন্ত ঘাটোৱাল, চামগুৰিৰ দিপ্লুৰঞ্জন শৰ্মা, বঙাইগাঁৱৰ দিপ্তীময়ী চৌধুৰী, চিদলীৰ নিৰ্মল কুমাৰ ব্ৰহ্ম, ধলাইৰ নিহাৰ ৰঞ্জন দাসক পদ আৰু গোপনীয়তাৰ শপত বাধ্য পাঠ কৰোৱাই বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, কেবাগৰাকী কেবিনেট মন্ত্ৰীৰ উপস্থিতিত উপ-নিৰ্বাচনত জয়ী ৫ নৱ নিৰ্বাচিত বিধায়কক শপত বাধ্য পাঠ কৰাই বিধানসভাৰ অধ্যক্ষ দৈমাৰীয়ে। প্ৰায় ১৭ মাহৰ বাবে বিধায়ক হৈ থাকিব দিগন্ত ঘাটোৱাল, দিপ্লুৰঞ্জন শৰ্মা, দিপ্তীময়ী চৌধুৰী, নিৰ্মল কুমাৰ ব্ৰহ্ম আৰু নিহাৰ ৰঞ্জন দাসে। আজিৰে পৰা বিধায়ক পুঁজি আৰু আগন্তুক অধিৱেশনত অংশগ্ৰহণ কৰিব পাৰিব বিধায়কসকলে। ধলাই সমষ্টিৰ বিধায়ক পৰিমল শুক্লবৈদ্যই বিজেপিৰ টিকটত শিলচৰ সংসদীয় সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰি লোকসভালৈ নিৰ্বাচিত হোৱাত ধলাই সমষ্টিত উপ-নিৰ্বাচন অনুষ্ঠিত হয়। চামগুৰি সমষ্টিৰ বিধায়ক ৰকিবুল হুছেইনে ধুবুৰী সমষ্টিৰ পৰা সাংসদ নিৰ্বাচিত হোৱাত চামগুৰিত উপ-নিৰ্বাচন অনুষ্ঠিত হয়। বঙাইগাঁও সমষ্টিৰ বিধায়ক ফণীভূষণ চৌধুৰী বৰপেটা লোকসভা সমষ্টিৰ পৰা সাংসদ নিৰ্বাচিত হোৱাত বঙাইগাঁৱত উপ-নিৰ্বাচন অনুষ্ঠিতহয়। চিদলী সমষ্টিৰ বিধায়ক জয়ন্ত বসুমতাৰী কোকৰাঝাৰ লোকসভা সমষ্টিৰ পৰা সাংসদ নিৰ্বাচিত হোৱাত চিদলীত উপ-নিৰ্বাচন অনুষ্ঠিত হয়। বিহালী সমষ্টিৰ বিধায়ক ৰঞ্জিত দত্ত শোণিতপুৰ লোকসভা সমষ্টিৰ পৰা সাংসদ নিৰ্বাচিত হোৱাত বিহালীত উপ-নিৰ্বাচন অনুষ্ঠিত হয়। পাঁচগৰাকী বিধায়ক লোকসভা নিৰ্বাচনত অৱতীৰ্ণ হৈ সাংসদ নিৰ্বাচিত হৈ দিল্লীলৈ যোৱাত খালী ৫ সমষ্টিত উপ-নিৰ্বাচন অনুষ্ঠিত হৈছিল। ১৩ নৱেম্বৰত ভোটগ্ৰহণ অনুষ্ঠিত হৈছিল আৰু ২৩ নৱেম্বৰত ভোটগণনা কৰা হৈছিল। এই উপ-নিৰ্বাচনত বিজেপিক বিধ্বস্ত কৰি জয়ী হৈছিল শাসকীয় মিত্ৰজোঁটৰ ৫ প্ৰাৰ্থী।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ঝাৰখণ্ডৰ কেবিনেটত অসমক লৈ বিশেষ

হিচাপে শপত লোৱাৰ কেইটামান ঘণ্টাৰ পিছতে ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰী হেমন্ত ছোৰেনে অসমৰ 'প্ৰান্তীয়' চাহ জনজাতিসকলৰ দুৰ্দশা অধ্যয়নৰ বাবে এখন বিশেষ সমিতি গঠনত অনুমোদন জনাইছে। প্ৰথম কেবিনেট বৈঠকৰ সিদ্ধান্তৰ বিষয়ে সংবাদ মাধ্যমক অৱগত কৰি ছোৰেনে কয় যে অসমত বসবাস কৰি থকা ঝাৰখণ্ডৰ জনজাতীয় লোকসকলক উপেক্ষা কৰা হৈছে। ঝাৰখণ্ডৰ বহুসংখ্যক মূল বাসিন্দা অসমত বাস কৰি আছে। আমি সিদ্ধান্ত লৈছো যে এক সৰ্বদলীয় পেনেলে তাত তৃণমূল পৰ্যায়ৰ পৰিস্থিতি অধ্যয়ন কৰিব। পেনেলেৰ প্ৰতিবেদন ঝাৰখণ্ড চৰকাৰৰ ওচৰত দাখিল কৰিব। নিৰ্বাচনী প্ৰচাৰৰ সময়ত ছোৰেনে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক বাৰে বাৰে প্ৰত্যাহ্বান জনাইছিল। অসমৰ আদিবাসী আৰু চাহ জনজাতিৰ বিষয় উত্থাপন কৰিছিল। কিন্তু নিৰ্বাচনত জয়ী হোৱাৰ পিছতে পেনেল গঠন কৰাৰ সিদ্ধান্ত লৈ একপ্ৰকাৰ অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ সৈতে অসমত এঘঁড়ী যুঁজিবলৈ পণ লৈছে হেমন্ত ছোৰেনে। ২৩ নৱেম্বৰত ঘোষিত ফলাফল অনুসৰি ঝাৰখণ্ডত জেএমএম নেতৃত্বাধীন মিত্ৰজোঁটে ৮১ জনীয়া বিধানসভাৰ আসনৰ ভিতৰত ৫৬ খন আসন লাভ কৰি একেৰাহে দ্বিতীয়বাৰৰ বাবে ক্ষমতালৈ আহে। বিজেপি নেতৃত্বাধীন এনডিএয়ে ২৪ খন আসন লাভ কৰিবলৈ সক্ষম হয়। জেএমএম নেতৃত্বাধীন মিত্ৰজোঁট ইণ্ডিয়া আৰু বিজেপি নেতৃত্বাধীন এনডিএৰ মাজত হোৱা নিৰ্বাচনী যুঁজত ঝাৰখণ্ডত বিজেপি বেয়াকৈ বিধ্বস্ত হৈছে। ঝাৰখণ্ড বিধানসভা নিৰ্বাচনত অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আছিল বিজেপিৰ উপ-তত্বাৱধায়ক। অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ঝাৰখণ্ডত প্ৰায় চাৰিটামাহ অতিবাহিত কৰি সাম্প্ৰদায়িত ৰাজনীতি কৰিছিল। বাংলাদেশী অনুপ্ৰৱেশৰ কথা উল্লেখ কৰি বাৰে বাৰে বাংলাদেশী বহিস্কাৰৰ কথা কৈ ধৰ্ম বিশেষ আৰু হেমন্ত ছোৰেনক আক্ৰমণ কৰিছিল। কিন্তু নিৰ্বাচনত হিমন্ত বিশ্ব শৰ্মাৰ উগ্ৰ হিন্দুত্ববাদ কামত নাহিল। ৰাইজে হিমন্ত বিশ্ব শৰ্মাৰ প্ৰতিশ্ৰুতি, ভাষণক তিলমানো গুৰুত্ব নিদিয়াত ইণ্ডিয়া মিত্ৰজোঁটে বৃহৎ সফলতা লাভ কৰিছে। একপ্ৰকাৰ হিমন্ত বিশ্ব শৰ্মাৰ বাবে বিজেপিয়ে ঝাৰখণ্ডত বেয়াকৈ মুখথেকেছা খাইছে। হিমন্ত বিশ্ব শৰ্মাই ঝাৰখণ্ড এৰি পুনৰ অসমৰ ৰাজনীতিত ব্যস্ত হৈছে যদিও কঁকালৰ কোব পাহৰিব খোজা নাই ঝাৰখণ্ড মুক্তি মৰ্চাৰ নেতা হেমন্ত ছোৰেনে। সাম্প্ৰদায়িক ৰাজনীতি কৰি বাহিৰৰ নেতা এজনে নিজৰ ৰাজ্যতে পৰাভূত কৰিব খুজি ভয়ংকৰ ঘৃণা আৰু বৈষম্যৰ ঝাৰখণ্ডত যি বীজ সিঁচি আহিল তাৰ প্ৰত্যুত্তৰ দিবলৈ সাজু হৈছে হেমন্ত ছোৰেন। ঝাৰখণ্ডত হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত নিৰ্বাচন খেলি বিজেপি লজ্জাজনকভাৱে পৰাজিত হোৱা বিজেপিৰ হিন্দুত্ববাদৰ নতুন পোষ্টাৰ বয় ৰূপে খ্যাত অসমৰ মুখ্যমন্ত্ৰীৰ অতি সাম্প্ৰদায়িক, ঘৃণা আৰু বৈষম্যৰ ৰাজনীতিক প্ৰত্যাহ্বান জনাবলৈ ২০২৬ চনত অসমতো পানী ঘোলা কৰিবলৈ আহিব হেমন্ত ছোৰেন। উল্লেখ্য যে, ছোৰেনে নিৰ্বাচনী প্ৰচাৰ চলি থকাৰ মাজতে অসমৰ মুখ্যমন্ত্ৰীক প্ৰত্যুত্তৰ দিবলৈ এখন পত্ৰ প্ৰদান কৰিছিল। ঝাৰখণ্ডত অনুসূচিত জনজাতিৰ মৰ্য্যদা পাই অহা আৰু বিভিন্ন সুবিধা লাভ কৰা একেইখিনি অসমৰ চাহ জনগোষ্ঠীৰ লোকক অনুসূচিত জনজাতিৰ মৰ্যাদা দিয়া হোৱা নাই কিয় বুলি প্ৰশ্ন কৰিছিল পত্ৰখনত। অসমৰ চাহ জনগোষ্ঠীক শীঘ্ৰে জনজাতিৰ মৰ্যাদা দিবলৈ দাবী উত্থাপন কৰিছিল। তাৰ পিছতে নিৰ্বাচনত জয়ী হৈ নতুন চৰকাৰ গঠন কৰিয়েই অসমৰ চাহ জনগোষ্ঠী আদিবাসীসকলৰ আৰ্থ-সামাজিক অৱস্থাৰ তৃণমূলৰ পৰিস্থিতি অধ্যয়ন কৰিবলৈ পেনেল গঠন কৰাৰ কথা ঘোষণা কৰিছিল। হিমন্ত বিশ্ব শৰ্মাই ঝাৰখণ্ডৰ নিৰ্বাচনত অসমৰ কেইবাটাও প্ৰসংগক ঠাই দিছিল। তাৰ ভিতৰত অন্যতম আছিল অসম চাহ জনগোষ্ঠী আৰু আদিবাসীসকলৰ প্ৰসংগ। অসমৰ মুখ্যমন্ত্ৰীয়ে কৈছিল যে, ঝাৰখণ্ডত শিপা থকা বহু সংখ্যক লোকে অসমৰ চাহ বাগিচাত বসবাস কৰে। ঝাৰখণ্ডত শিপা থকা এইসকল লোকে অসমৰ অৰ্থনীতিলৈ বৃহৎ অৱদান আগবঢ়ায়। কিন্তু অসমৰ মুখ্যমন্ত্ৰীক উভতি ধৰি ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰী হেমন্ত ছোৰেনে কৈছিল যে অসমত বসবাস কৰা ঝাৰখণ্ডৰ লোকসকলক জনজাতি তথা এছটিৰ মৰ্যাদা দিয়া হোৱা নাই। ঝাৰখণ্ডত শিপা থকা অসমৰ চাহ বাগিচাত বসবাস কৰা লোকসকলৰ অৱস্থা ভাল নহয়। অসমৰ মুখ্যমন্ত্ৰীয়ে ইয়াত জনজাতীয় লোকসকলৰ শুভাকাংক্ষী হোৱাৰ ভাও ধৰিছে। হিমন্ত বিশ্ব শৰ্মাই নিজৰ ৰাজ্যখনত ঝাৰখণ্ডৰ জনজাতিসকলক অনুসূচিত জনজাতিৰ মৰ্যাদা প্ৰদান নকৰি পৰিচয় মোহাৰি পেলাইছে। অসমৰ মুখ্যমন্ত্ৰীয়ে সেইসকল লোকে অসমৰ অৰ্থনীতিলৈ গুৰুত্বপূৰ্ণ অৱদান আগবঢ়োৱা বুলি কোৱা স্বত্বেও জনজাতিকৰণ কৰা হোৱা নাই। হেমন্ত ছোৰেনে কৈছিল যে মই অসমৰ মুখ্যমন্ত্ৰীক এখন পত্ৰ দিছিলো। কিন্তু অসমৰ মুখ্যমন্ত্ৰীয়ে ব্যৱস্থা নোলোৱাত ঝাৰখণ্ড চৰকাৰে অসমৰ সেই লোকসকলৰ দুৰ্দশা অধ্যয়নৰ বাবে এখন সমিতি গঠনত অনুমোদন জনাইছে। কেবিনেট বৈঠকত এই সিদ্ধান্ত লোৱা হ'ব বুলিও কৈছিল ছোৰেনে। নিৰ্বাচনৰ মাজতে তেওঁ অসমৰ চাহ জনগোষ্ঠীৰ লোকসকলৰ প্ৰসংগ উল্লেখ কৰি আৰু কৈছিল যে ঝাৰখণ্ডৰ জনজাতীয় লোকসকলক ব্ৰিটিছে অসমলৈ আনিছিল। তেওঁলোকৰ সংখ্যা প্ৰায় ১৫ ৰ পৰা ২০ লাখ যদিও অসমত নিজ অধিকাৰৰ বাবে যুঁজি থাকিবলগীয়া হৈছে। জনজাতীয় লোকসকলে অসম চাহ বাগিচাত কাম কৰি আছে। তেওঁলোকক এতিয়ালৈকে এছটিৰ মৰ্যাদা দিয়া হোৱা নাই। তেওঁলোকক কল্যাণমূলক আঁচনিৰ পৰা বঞ্চিত কৰা হৈছে। হেমন্ত চোৰেণে আৰু কৈছিল যে আমাৰ চৰকাৰে সকলো মূল বাসিন্দাক ঝাৰখণ্ডলৈ উভতি আহিবলৈ আহ্বান জনাইছে। আমি অনুসূচিত জনজাতি, অনুসূচিত জাতি, সংখ্যালঘু আৰু পিছপৰা শ্ৰেণী কল্যাণ বিভাগৰ মন্ত্ৰীৰ অধীনত এই সমস্যা অধ্যয়ন কৰিবলৈ এখন সমিতি গঠন কৰিম। সৰ্বদলীয় প্ৰতিনিধিত্ব থাকিব। অসমৰ সেই ঠাইবোৰলৈ যাব আৰু আৱাস, চাকৰি, অধিকাৰ আদিৰ সৈতে সম্পৰ্কিত সমস্যাবোৰ অধ্যয়ন কৰিব। সমিতিৰ পৰামৰ্শৰ ভিত্তিত কল্যাণমূলক ব্যৱস্থা প্ৰৱৰ্তন কৰা হ'ব বুলিও কৈছিল ছোৰেনে। ছোৰেন চৰকাৰৰ প্ৰথম কেবিনেট বৈঠকত লোৱা এই সিদ্ধান্তই ঝাৰখণ্ডৰ ৰাজনীতিৰ লগতে অসমৰ ৰাজনীতিত ভয়ংকৰভাৱে প্ৰভাৱ পেলোৱাৰ সম্ভাৱনা স্পষ্ট হৈ পৰিছে। উজনি অসমৰ কমেও ১৩টা সমষ্টিত চাহ জনগোষ্ঠী আৰু আদিবাসী ভোটাৰে নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰি আহিছে। যদি ২০২৬ চনৰ নিৰ্বাচনত হেমন্ত ছোৰেনৰ জৰিয়তে এই ভোটাৰসকলক অসমৰ মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ সপক্ষে ভোট দিয়াব পাৰে তেন্তে বিজেপিৰ বাবে সমস্যা হৈ পৰিব পাৰে। বিশেষকৈ ঝাৰখণ্ডত সাম্প্ৰদায়িক ৰাজনীতি কৰা হিমন্ত বিশ্ব শৰ্মাক পোনপটীয়াকৈ প্ৰত্যাহ্বান জনাইছে হেমন্ত ছোৰেনে। কিয়নো ঝাৰখণ্ডৰ সন্থল পৰগনা নামৰ ঠাইক লৈ কি কি কোৱা নাছিল হিমন্ত বিশ্ব শৰ্মাই। অসমৰ আৰ্হিৰে ঝাৰখণ্ডত মুছলমান বাংলাদেশীৰ প্ৰসংগ টানি নি বাংলাদেশী বহিস্কাৰ কৰাৰ প্ৰতিশ্ৰুতি দি কেৱল হিন্দু-মুছলমান কৰি কংগ্ৰেছ আৰু জেএমএমক লক্ষ্য কৰি লৈ সন্থল পৰগনা নামৰ ঠাইৰ কথা বাৰে বাৰে কৈছিল। ১৯৫১ চনৰ তথ্য উল্লেখ কৰি অঞ্চলটোত এটা বিশেষ ধৰ্মৰ লোকৰ সংখ্যা বৃদ্ধি পোৱাক লৈ সাম্প্ৰয়াদিক মন্তব্য কৰিছিল। ২৩ লাখৰ ভিতৰত ২০ লাখ জনসংখ্যা হিন্দু আৰু জনজাতীয় আছিল। সেই সময়ত মাত্ৰ ২ লাখ ১৯ হাজাৰ মুছলমান আছিল। হিন্দুৰ জনসংখ্যা ৯০ শতাংশৰ পৰা ৬৭ শতাংশলৈ হ্ৰাস পোৱাৰ বিপৰীতে মুছলমান জনসংখ্যা ১০ শতাংশৰ পৰা প্ৰায় ৪০ শতাংশলৈ বৃদ্ধি পাইছে বুলি কৈ ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰী হেমন্ত ছোৰেনক আক্ৰমণ কৰিছিল। এনে ঘোৰ সাম্প্ৰদায়িক কথা কোৱা হিমন্ত বিশ্ব শৰ্মাক অসমত শলঠেকত পেলাবলৈ হেমন্ত ছোৰেনে অসমৰ ৰাজনীতিত প্ৰৱেশ কৰিলে তাৰ প্ৰভাৱ ২০২৬ৰ অসম বিধানসভাৰ নিৰ্বাচনত যে পৰিব সেয়া একপ্ৰকাৰ খাটাং হৈ পৰিছে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

## ৰাজধানী দিল্লীৰ বিদ্যালয়ে বিদ্যালয়ে

ভাবুকি দিয়াত বিদ্যালয় কৰ্তৃপক্ষই আৰক্ষীৰ সৈতে যোগাযোগ কৰে। আৰক্ষী আৰু বোমা স্কোৱাড বিদ্যালয়ত উপস্থিত হৈ তালাচী চলায়। অগ্নি নিৰ্বাপক বাহিনীও উপস্থিত হয়। বৃহস্পতিবাৰে প্ৰশান্ত বিহাৰত বিস্ফোৰণ সংঘটিত হৈছিল। কালিৰ বিস্ফোৰণস্থলীৰ পৰা বিদ্যালয়খনৰ পৰা এক কিলোমিটাৰ দূৰত ৰোহিণীৰ বিদ্যালয়খন আছে। আৰক্ষীয়ে কয় যে গোটেই বিদ্যালয়খন খালি কৰি তালাচী চলোৱা হৈছিল। কিন্তু ক'তো সন্দেহজনক একো পোৱা নগ'ল। অৱশ্যে, ভাবুকি ক'ৰ পৰা আহিছিল, প্ৰেৰক কোন বা প্ৰেৰক কোন সেইবিষয়ে তদন্ত কৰা হৈছে। বিশেষকৈ বৃহস্পতিবাৰে প্ৰশান্ত বিহাৰত হোৱা বোমা বিস্ফোৰণৰ পিছতে বিদ্যালয় চৌহদৰ ভিতৰত তালাচী চলোৱা হৈছিল। বিদ্যালয়খনে ৰাতিপুৱা ১০:৫৭ বজাত এটা ভাবুকিৰ মেইল পাইছিল। শিক্ষাৰ্থীসকলক ঘৰলৈ সোনকালে ঘৰলৈ পঠোৱাৰ ব্যৱস্থা কৰা হৈছিল। অভিভাৱকসকলক অৱগত কৰা হৈছিল। শিক্ষাৰ্থীসকলৰ অভিভাৱকসকলও চিন্তিত হৈ পৰে। অৱশ্যে, ছাত্ৰ-ছাত্ৰীসকলক আৰক্ষী আৰু অগ্নি নিৰ্বাপক বাহিনীয়ে সুৰক্ষিতভাৱে বিদ্যালয়ৰ পৰা বাহিৰলৈ নিয়ে। অনুসন্ধানকাৰীসকলে দাবী কৰিছে যে বৃহস্পতিবাৰে প্ৰশান্ত বিহাৰৰ ঘটনাত কম তীব্ৰতাৰ বিস্ফোৰক ব্যৱহাৰ কৰা হৈছিল। অক্টোবৰত ৰোহিণীৰ এখন চিআৰপিএফ বিদ্যালয়ৰ বাহিৰত বিস্ফোৰণ সংঘটিত হোৱাৰ এমাহ পিছত এই ঘটনাটো সংঘটিত হৈছে। ঘটনাটোত কোনো লোক আহত হোৱা নাই।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

## মৰিগাঁৱত পোকে প্ৰাণ ল'লে এজনৰ

পোকৰ দংশনত চিকিৎসাধীন হ'বলগীয়া হৈছে অন্য কেইবাজনো ব্যক্তি। প্ৰাপ্ত তথ্য মতে মৰিগাঁও জিলাৰ হাবিবৰঙাবাৰীৰ তামুলীবড়ি গাঁৱৰ যতীন শইকীয়া নামৰ ব্যক্তিজনে ২১ নৱেম্বৰত পথাৰত ঘাঁহ কাটিবলৈ যোৱাৰ সময়তে এটা পোকে কামোৰা বুলি অনুভৱ কৰিছিল। ইয়াৰ পিছত ব্যক্তিজনে ঘৰলৈ আহি শৰীৰত বিষ অনুভৱ কৰি এই কথা পত্নীক অৱগত কৰে। পৰৱৰ্তী সময়ত অত্যধিক জ্বৰ উঠাত তেওঁক ততাতৈয়াকৈ মৰিগাঁও অসামাৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। ইয়াৰ পিছতো স্বাস্থ্য উন্নত নোহোৱাত তেওঁক গুৱাহাটী মেডিকেল কলেজ হাস্পতালত উন্নত চিকিৎসাৰ বাবে ভৰ্তি কৰোৱা হয়। জি এম চি এইচত প্ৰয়োজন অনুসাৰে আই চি ইউ নোপোৱাত পৰৱৰ্তী সময়ত তেওঁক দিছপুৰ পলিক্লিনিক হাস্পতালত ভৰ্তি কৰোৱা হয় যদিও আৰ্থিক দুৰৱস্থাৰ বাবে পুনৰ জি এম চি এইচত ভৰ্তি কৰোৱা হয়। জি এম চি এইচত চিকিৎসাধীন অৱস্থাতে শুকুৰবাৰে যতীন শইকীয়াৰ মৃত্যু হয়। পৰিয়ালটোৰ একমাত্ৰ উপাৰ্জনকাৰী ব্যক্তিজনৰ মৃত্যুত পৰিয়ালটিলৈ নামি আহিছে ঘোৰ অমানিশা। ব্যক্তিজনৰ মৃত্যুৰ পিছতেই সমগ্ৰ অঞ্চলত শোকৰ ছাঁ পৰাৰ লগতে এক আতংকময় পৰিৱেশৰ সৃষ্টি হোৱা পৰিলক্ষিত হৈছে। উল্লেখ্য যে মৃত যতীন শইকীয়াই বন্ধন বেংকৰ পৰা ঋণ লৈ এখন ফাষ্ট ফুডৰ দোকান দি কনমাণি পুত্ৰ সন্তানটিৰ পঢ়া-শুনাৰ লগতে পৰিয়ালটিক পোহপাল দি আহিছিল। এতিয়া সৰ্বস্ব হেৰুৱা দুৰ্ভগীয়া পত্নী আৰু আত্মীয়সকলে মুখ্যমন্ত্ৰীৰ পৰা সহায়ৰ ভিক্ষা বিচাৰিছে। ইতিমধ্যে পোকৰ আক্ৰমণত চিকিৎসাধীন হ'বলগীয়া হৈছে কেবাজনো ব্যক্তি।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

## আজি একেখন মঞ্চত অখিল-লুৰীণ!

নৱগঠিত আঞ্চলিক ৰাজনৈতিক দল অসম জাতীয় পৰিষদ, ৰাইজৰ দল আৰু কাৰ্বি আংলঙৰ পাৰ্টী হিল লীডাৰ্ছ কনফান্সৰ নেতাসকলৰ লগতে ৰাজ্যৰ বহু বিশিষ্ট নাগৰিক। উপ-নিৰ্বাচনত আসন ভাগ-বাটোৱাৰা খেলি-মেলিৰ পিছতে দুভাগত বিভক্ত হোৱা অসমৰ বিৰোধীৰ মিত্ৰজোঁটৰ পৰা কংগ্ৰেছক আতৰাই নতুনকৈ এখন মঞ্চ তৈয়াৰ কৰিবলৈ অখিল গগৈ, লুৰীণজ্যোতি গগৈ আৰু জন ইংতি কাঠাৰৰ উপস্থিতিত কাইলৈ বিশেষ সভাৰ আয়োজন কৰা হৈছে। এই বিশেষ সভাত তিনিওটা আঞ্চলিক দলৰ সভাপতি লুৰীণজ্যোতি গগৈ, অখিল গগৈ আৰু জন ইংতি কাঠাৰ উপস্থিত থাকিব। কাইলৈ আবেলি ৩ বজাৰ পৰা মাছখোৱা সাংস্কৃতিক প্ৰকল্প প্ৰেক্ষাগৃহত 'অসম বচাওক, অসম গঢ়ক' শ্ল'গানেৰে এক উমৈহতীয়া মঞ্চ তৈয়াৰ কৰিবলৈ এই সভা অনুষ্ঠিত হ'ব। সভাত বিকশিত অসম গঢ়াৰ লক্ষ্যৰে আঞ্চলিক ৰাজনৈতিক দলসমূহৰ বাবে নিৰ্দিষ্ট নীতি তথা ৰূপৰেখা তৈয়াৰ কৰা হ'ব। এই সভাত দিহা-পৰামৰ্শ দিবলৈ বিশিষ্ট অৰ্থনীতিবিদ অধ্যাপক জয়দীপ বৰুৱাক আমন্ত্ৰণ কৰা হৈছে। এখন গোহাৰি প্ৰচাৰ কৰি সকলো প্ৰকাৰৰ লোকক অংশগ্ৰহণৰ আহ্বান জনাই আহ্বায়সকলে। গোহাৰিখনত কোৱা হৈছে যে জনবিৰোধী, দুৰ্নীতিগ্ৰস্ত, মিথ্যাচাৰী আৰু সাম্প্ৰদায়িক চৰকাৰখন সকলো দিশত ব্যৰ্থ হৈছে। বজাৰ, পথাৰ, চাকৰি-বাকৰি পুঁজিপতি বণিয়াক গতাইছে। শিক্ষা ব্যৱস্থাত হিন্দী আৰু ইংৰাজীক প্ৰাধান্য দি থলুৱাৰ ভাষা, সংস্কৃতিৰ প্ৰতি আতংক নমাই আনিছে। এনে পৰিপ্ৰেক্ষিতত 'অসম বচাওক, অসম গঢ়ক' শ্ল'গানেৰে এক উমৈহতীয়া মঞ্চ তৈয়াৰ কৰিবলৈ এই সভাৰ আয়োজন কৰা হৈছে। অপূৰ্ব কুমাৰ বৰুৱা, ইন্দ্ৰাণী দত্ত, মনোৰমা শৰ্মা, মাইনী নহন্ত, ঘনশ্যাম নাথ, প্ৰণৱজ্যোতি ডেকা, প্ৰণৱ তালুকদাৰ, ৰবিন দত্ত, আহছান হাজৰিকাসহ ৰাজ্যৰ প্ৰায় দুকুৰি বিশিষ্ট লোক কমিটিখনত আহ্বায়ক হিচাপে আছে।

# জনগোষ্ঠীয় সংগঠনৰ নামত ব্যৱসায়ীক ধনদাবী, তিনিচুকীয়া আৰক্ষীৰ জালত দুজন

**ই-সংবাদ, ডুমডুমা, ২৯ নৱেম্বৰঃ** অসমৰ আদিম ভূমিপুত্ৰ মটক জনগোষ্ঠীয় সংগঠনৰ নামত ব্যৱসায়ী-ঠিকাদাৰক ভয়-ভাবুকি প্ৰদৰ্শনেৰে ধনদাবী কৰি তিনিচুকীয়া আৰক্ষীৰ জালত পৰিছে প্ৰণৱ সিনহা নামৰ এজন অভিযুক্ত। উক্ত ধনদাবী ঘটনাৰ সৈতে জড়িত থকাৰ অভিযোগত এটা সংগঠনৰ তথাকথিত নেতা জিতু বুঢ়াগোহাঁইকো তিনিচুকীয়া আৰক্ষীয়ে আটক কৰিছে। অভিযোগ অনুসৰি, তিনিচুকীয়াত কাম কৰা ধুবুৰীৰ এজন ব্যৱসায়ী-ঠিকাদাৰৰ পৰা লক্ষাধিক টকা দাবী কৰি আহিছিল দুই ধৃত যুৱকে। ধৃত দুই যুৱকে ঠিকাদাৰজনৰ পৰা ইতিমধ্যে ৫০ হাজাৰ টকা আদায় কৰাৰ কথাও পোহৰলৈ আহিছে। ঘটনাৰ কথা জানিব পাৰি মটক যুৱ-ছাত্ৰ সন্মিলনৰ তিনিচুকীয়া জিলাৰ সভাপতি আৰু সম্পাদকৰ লগতে সংগঠনৰ অন্যান্য বিষয়ববীয়াৰ এটি দলে তিনিচুকীয়া সদৰ আৰক্ষী থানাত এচাম অনা-মটক যুৱকে মটক জনগোষ্ঠীয় সংগঠনৰ নামত ধনদাবীৰে সংগঠনটোৰ ভাবমূৰ্তি বিনষ্ট কৰাৰ ষড়যন্ত্ৰত লিপ্ত থকাৰ বিৰুদ্ধে সৰৱ হোৱাৰ লগতে এই ক্ষেত্ৰত আৰক্ষীক বিহিত ব্যৱস্থা গ্ৰহণৰ দাবী জনায়। আটকাধীন দুই যুৱকৰ বিৰুদ্ধে তিনিচুকীয়া আৰক্ষীয়ে তিনিচুকীয়া সদৰ থানাত ভাৰতীয় ন্যায় সংহিতাৰ ১১৫(২)/১২৭(৭)/৩০৮(৪)/৩(৫) ধাৰাৰ অধীনত ৪২৩/২৪ নম্বৰত গোচৰ ৰুজু কৰি তদন্ত অব্যাহত ৰাখিছে। আটকাধীন দুই যুৱকক শনিবাৰে আদালতত হাজিৰ কৰা হ'ব বুলি তিনিচুকীয়া আৰক্ষীয়ে জানিবলৈ দিছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# এবছুৰ অধিৱেশনলৈ আহিব অমিত শ্বাহ

অভ্যৰ্থনা সমিতিৰ কাৰ্যালয় মুকলি কৰা হয়। অভ্যৰ্থনা সমিতিৰ কাৰ্যালয় আনুষ্ঠানিকভাৱে মুকলি কৰে ৰাজ্যৰ কেবিনেট মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মাই। কাৰ্যালয় মুকলিৰ পূৰ্বে এবছুৰ সাংগঠনিক পতাকা উত্তোলন কৰে এবছুৰ কেন্দ্ৰীয় সভাপতি দ্বীপেন বড়োৱে। ইপিনে পতাকা উত্তোলনৰ অন্তত এবছুৰ সভাপতি দ্বীপেন বড়োৱে সংবাদ মাধ্যমৰ আগত কয় যে অহা ৬, ৭, ৮ আৰু ৯ ফেব্ৰুৱাৰীত দোতমাত চাৰিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে এবছুৰ কেন্দ্ৰীয় অধিৱেশন অনুষ্ঠিত হ'ব, য'ত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ। দোতমাৰ অধিৱেশনতে বড়ো জাতিৰ জাতিয়তাবাদ, স্বকীয় ভাষা, কলা-সংস্কৃতি, বড়ো মাধ্যম শিক্ষা, ৰাজনৈতিক আৰু সাংবিধানিক অধিকাৰ, বি টি আৰ চুক্তিৰ অৱশিষ্ট দফা ৰূপায়ণ আদি সন্দৰ্ভত আলোচিত হ'ব। তদুপৰি অধিৱেশনত উপস্থিত থাকিব ন'বেল বঁটা বিজয়ী কৈলাশ চৈতাৰ্থী। ৫০ হাজাৰ ছাত্ৰ-ছাত্ৰীৰ সৈতে মত-বিনিময় কৰিব ন'বেল বিজয়ী কৈলাশ চৈতাৰ্থীয়ে। দোতমাৰ অধিৱেশনতে আগন্তুক কাৰ্যকালৰ বাবে নতুন সমিতি গঠন কৰা হ'ব বুলি সদৰি কৰিছে এবছুৰ সভাপতি দ্বীপেন বড়োৱে। ইপিনে ৫৭ সংখ্যক কেন্দ্ৰীয় অধিৱেশনৰ অভ্যৰ্থনা সমিতিৰ অধ্যক্ষ বিধায়ক লৰেঞ্চ ইছলাৰীয়ে কয় যে দোতমা অধিৱেশন লেখতল'বলগীয়া হ'ব আৰু অনুষ্ঠানটো সফল কৰি তুলিবলৈ সকলো প্ৰচেষ্টা হাতত লোৱা হ'ব। উল্লেখ্য যে অভ্যৰ্থনা সমিতিৰ কাৰ্যালয় মুকলিৰ পাছতে অধিৱেশনৰ প্ৰস্তুতিক লৈ এক সভাও অনুষ্ঠিত হয়। লৰেঞ্চ ইছলাৰীৰ অধ্যক্ষতাত অনুষ্ঠিত হোৱা উক্ত সভাত মূল অভ্যৰ্থনা সমিতিৰ লগতে বিভিন্ন উপ-সমিতিৰ সদস্যসকলে অংশগ্ৰহণ কৰে। এবছুৰ কেন্দ্ৰীয় অধিৱেশনৰ অভ্যৰ্থনা সমিতিৰ কাৰ্যালয় মুকলি অনুষ্ঠানত এবছুৰ কেন্দ্ৰীয় উপ-সভাপতি খৌৰমদাও ওৱাৰী, কেন্দ্ৰীয় সাধাৰণ সম্পাদক খনিন্দ্ৰ বসুমতাৰী, সহকাৰী সাধাৰণ সম্পাদক দিনেশ ব্ৰহ্ম, অভ্যৰ্থনা সমিতিৰ অধ্যক্ষ তথা বিধায়ক লৰেঞ্চ ইছলাৰী, বিধায়ক জিৰণ বসুমতাৰী, আহ্বায়ক শংকৰলাল ব্ৰহ্মসহ এবছুৰ বহুসংখ্যক নেতা-কৰ্মী উপস্থিত থাকে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# শিৱসাগৰত বিদ্যালয়ত অঘটন

ছুৰীকাঘাত কৰা ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰাৰ লগতে উদ্বিগ্ন কৰি তুলিছে শৈক্ষিক সমাজক। এগৰাকী ষষ্ঠ শ্ৰেণীৰ ছাত্ৰক আন দুজন ছাত্ৰই ছুৰী আৰু খাৰুৰে আক্ৰমণ কৰি গুৰুতৰভাৱে আহত কৰে। বিদ্যালয়খনত অনুষ্ঠিত হৈ আছিল গোট পৰীক্ষা। ষষ্ঠ শ্ৰেণীৰ ছাত্ৰজনে আগবেলা পৰীক্ষা দি শ্ৰেণীকোঠাৰ পৰা ওলাই যোৱাৰ পিছতে বিদ্যালয়ৰ গেটৰ বাহিৰতে ৰৈ থকা আন দুই ছাত্ৰই ছুৰী আৰু খাৰুৰে আক্ৰমণ কৰে। বিদ্যালয়খনতে অৱস্থিত অসম সৰ্বশিক্ষা অভিযানৰ অধীনত থকা NRSTCৰ বিশেষ শ্ৰেণীকোঠাৰ দুজন ছাত্ৰই আক্ৰমণ কৰে ষষ্ঠ শ্ৰেণীৰ ছাত্ৰজনক। এই আক্ৰমণৰ ফলত ষষ্ঠ শ্ৰেণীৰ ছাত্ৰজনে হাত আৰু পিঠিত গুৰুতৰভাৱে আঘাত পায়। ছুৰীকাঘাত হোৱাৰ পিছতে তেজেৰে ৰাঙলী হোৱা ছাত্ৰজনক শিৱসাগৰ সম্প্ৰীতি নাৰ্চিং হোমত ভৰ্তি কৰোৱা হয়। চিকিৎসকে বৰ্তমান ছাত্ৰজন বিপদমুক্ত বুলি জানিবলৈ দিছে। কি কাৰণত দুজন ছাত্ৰই নাবালক ছাত্ৰজনক আক্ৰমণ কৰিলে সেয়া এতিয়াও জানিব পৰা হোৱা নাই। উল্লেখ্য যে বিদ্যালয়খনৰ চৌহদতে আছে অসম সৰ্বশিক্ষা অভিযানৰ অধীনত এটা শ্ৰেণীকোঠা। যিসকল ছাত্ৰ-ছাত্ৰীয়ে আধাতে স্কুল ত্যাগ কৰে বা আন কাৰণত সময়মতে বিদ্যালয়ত নামভৰ্তি কৰিব নোৱাৰে তেনে শিক্ষাৰ্থীক পাঠদান কৰিবৰ বাবে এই ব্যৱস্থা কৰে সমাজ কল্যাণ বিভাগে। কেতিয়াবা শিশুশ্ৰমিক হিচাপে কাম কৰা শিশুকো উদ্ধাৰ কৰি সেই বিশেষ শ্ৰেণীত নামভৰ্তি কৰোৱা হয়। ষষ্ঠ শ্ৰেণীৰ ছাত্ৰজনক আক্ৰমণ কৰা ছাত্ৰ দুগৰাকীও আছিল সেই বিশেষ শ্ৰেণীৰ ছাত্ৰ। এই ঘটনাৰ পিছতে বিদ্যালয়খনত উপস্থিত হয় আৰক্ষী। অতিৰিক্ত আৰক্ষী অধীক্ষক মৰ্য়িদুল ইছলাম, সদৰ থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া কল্পজ্যোতি শৰ্মাসহ আৰক্ষীৰ এটা দলে ঘটনা সন্দৰ্ভত তদন্ত আৰম্ভ কৰিছে। আক্ৰমণকাৰী ছাত্ৰকেইজন নাবালক হোৱা হেতুকে আৰক্ষীয়ে তেওঁলোকক শিশু কল্যাণ কমিটিক গতাই দিয়ে। ইপিনে বিদ্যায়লখনৰ শিক্ষক-শিক্ষয়ত্ৰীয়ে প্ৰথমে এই ঘটনা গাপ দিবলৈ চেষ্টা কৰিছিল যদিও আহত ছাত্ৰজনৰ অভিভাৱক, স্থানীয় ৰাইজে জবাবদিহি কৰাত ছুৰীকাঘাতৰ কথা স্বীকাৰ কৰে। এই ঘটনাই স্বাভাৱিকতে উদ্বিগ্ন কৰি তুলিছে শৈক্ষিক মহলক। উল্লেখ্য যে যোৱা ৬ জুলাইত শিৱসাগৰৰ এখন বেচৰকাৰী শিক্ষানুষ্ঠানৰ শ্ৰেণীকোঠাৰ ভিতৰতে এগৰাকী একাদশ শ্ৰেণীৰ ছাত্ৰই ছুৰীৰে আক্ৰমণ কৰি ৰাজেশ বাবু নামৰ এজন শিক্ষকক হত্যা কৰিছিল। সেইদৰে মৰাণৰ এখন বিদ্যালয়ৰ এজন ছাত্ৰক সহপাঠীয়ে কেইমাহমান আগেয়ে হত্যা কৰিছিল। সঘনাই ছাত্ৰৰ দ্বাৰা এনে অপৰাধজনিত ঘটনা সংঘটিত হোৱাত স্বাভাৱিকতে সচেতন মহলক চিন্তিত কৰি তুলিছে।

## উদ্বেগ প্ৰকাশ নাগৰিকত্ব আইন সংশোধনী বিৰোধী সমন্বয় সমিতিৰ

# আন্তৰ্জাতিক ষড়যন্ত্ৰৰ ফান্দত পৰিছে বাংলাদেশৰ অন্তৰ্ৱৰ্তীকালীন চৰকাৰ!

**ই-সংবাদ, গুৱাহাটী, ২৯ নৱেম্বৰঃ** বাংলাদেশৰ হিন্দু আৰু অন্যান্য সংখ্যালঘু সকলৰ সুৰক্ষাৰ প্ৰতি ভাবুকি কঢ়িয়াই অনা ঘটনাক লৈ গভীৰ উদ্বেগ প্ৰকাশ কৰিছে নাগৰিকত্ব আইন (কা) সংশোধনী বিৰোধী সমন্বয় সমিতি, অসমে। বাংলাদেশৰ ঘটনাৱলীয়ে ভাৰতবৰ্ষ বিশেষকৈ অসমত সম্পূৰ্ণ নেতিবাচক প্ৰভাৱ পেলোৱাৰ সম্ভাৱনা আছে বুলি মন্তব্য কৰি সংগঠনটোৱে কয় যে বাংলাদেশ এতিয়াও এখন ধৰ্মনিৰপেক্ষ দেশ আৰু বাংলাদেশৰ অন্তৰ্বৰ্তীকালীন চৰকাৰে সংবিধানৰ প্ৰতি সন্মান জনাই পলম নকৰাকৈ শান্তি আৰু সম্প্ৰীতিৰ ৰক্ষাৰ স্বাৰ্থত পদক্ষেপ গ্ৰহণ কৰাৰ প্ৰয়োজন। সংগঠনটোৱে কয় যে সাম্প্ৰদায়িক ঘৃণা আৰু বিভাজনৰ ৰাজনীতিত ইতিমধ্যে আমাৰ ৰাজ্যখন ভাৰাক্ৰান্ত আৰু সেই ক্ষেত্ৰত এনে ৰাজনীতিয়ে দুয়োখন দেশৰ সংখ্যালঘু ৰাইজক ক্ষতিগ্ৰস্ত কৰাৰ লগতে কেৱল মৌলবাদী শক্তিৰ বাবে সুযোগ সৃষ্টি কৰিব। বিশেষকৈ ইস্কনৰ দৰে সংগঠনক নিষেধ কৰাত বাধা আৰোপ কৰি দেশখনৰ এখন উচ্চ ন্যায়ালয়ে দিয়া নিৰ্দেশকো অৱজ্ঞা কৰি অন্তৰ্বৰ্তীকালীন চৰকাৰখনে পুনৰ নিষেধাজ্ঞাৰ প্ৰচেষ্টাত লিপ্ত থকাটোৱে সূচাইছে যে চৰকাৰখন এক আন্তৰ্জাতিক ষড়যন্ত্ৰৰ ফান্দত ভৰি দিছে। সংগঠনটোৱে কয়," ইতিমধ্যে প্ৰকাশ পোৱা মাৰ্কিন যুক্তৰাষ্ট্ৰৰ গোপন দলিলৰ পৰা জনা গৈছে যে পূৰ্বপৰিকল্পিতভাৱে ছাত্ৰ আন্দোলনে অন্তৰ্বৰ্তী ৰাষ্ট্ৰ প্ৰধানৰূপে প্ৰক্ষেপ কৰি থকা মঃ ইউনুছে বিভিন্ন সময়ত আমেৰিকাৰ চৰকাৰক 'বিশেষ সহায়' আগবঢ়াইছিল। সেয়ে এতিয়া উত্তৰ পূব ভাৰতত বিদেশী শক্তিয়ে বাংলাদেশৰ ঘটনাৰে কুপ্ৰভাৱ পেলোৱাৰ কূটকৌশল আৰম্ভ কৰিলেও আচৰিত কথা নহ'ব। অসমক ৰক্ষা কৰাৰ সদিচ্ছা থকা সকলে হঠকাৰী কোনো প্ৰতিক্ৰিয়াৰ পৰা বিৰত থকাই ভাল হব"। বিষয়টো যাতে আন্য ফালে ঢাল খাব নোৱাৰে তাৰ বাবে সংগঠনটোৱে সকলোকে সজাগ আৰু সতৰ্কতাৰে পৰিস্থিতিৰ পৰ্যবেক্ষণ কৰি সুচিন্তিতভাৱে আগবাঢ়িবলৈ আহ্বান জনাইছে।

# নগাঁৱত বিশ্ব এইডছ দিৱসৰ প্ৰস্তুতিৰ সন্দৰ্ভত সভা

**ই-সংবাদ, পুৰণিগুদাম, ২৯ নৱেম্বৰঃ** নগাঁও জিলাৰ আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত আগন্তুক ১ ডিচেম্বৰত নগাঁৱৰ নেহৰুৱালী খেলপথাৰত ৰাজ্যিক ভিত্তিত অনুষ্ঠিত হ'বলগীয়া বিশ্ব এইডছ দিৱসৰ প্ৰস্তুতিৰ সন্দৰ্ভত ৰাজ্যিক এইডছ নিয়ন্ত্ৰণ সমিতি আৰু জিলা এইডছ নিয়ন্ত্ৰণ সমিতিৰ বিষয়ববীয়াসকলৰ লগত জিলা আয়ুক্ত নৰেন্দ্ৰ কুমাৰ শ্বাহ এক সভাত মিলিত হয়। সভাত উক্ত দিনা অনুষ্ঠিত হ'বলগীয়া সজাগতা ৰেলী, সভাৰ কাৰ্যসূচী, সভাত উপস্থিত থাকিবলগা বিশিষ্ট অতিথি আৰু সাংস্কৃতিক অনুষ্ঠানৰ সন্দৰ্ভত বিশদভাৱে আলোচনা কৰা হয়। আয়ুক্তগৰাকীয়ে উক্ত অনুষ্ঠানটি সফল ৰূপায়ণৰ বাবে উপস্থিত সকলোকে আন্তৰিকতাৰে নিজৰ কৰ্তব্য সম্পাদন কৰিবলৈ আহ্বান জনায়। আজিৰ এই সভাত জিলা উন্নয়ন আয়ুক্ত গুণজিৎ কাশ্যপ, ৰাজ্যিক এইডছ নিয়ন্ত্ৰণ সমিতিৰ প্ৰকল্প সঞ্চালক ইন্দ্ৰানশী দাস, জিলা যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ ফণী পাঠক, ৰাজ্যিক এইডছ নিয়ন্ত্ৰণ সমিতিৰ সহকাৰী সঞ্চালক(প্ৰচাৰ) ৰাজীৱ শৰ্মা, DISHA, ক্লাছটাৰ আঁচনি প্ৰবন্ধক ইন্দ্ৰ কাৰ্কী, DISHA ৰ ক্লিনিকেল চাৰ্ভিছ বিষয়া পাপৰি বৰুৱা প্ৰমুখ্যে সংশ্লিষ্ট বিভাগৰ বিষয়া আৰু প্ৰতিনিধিসকল উপস্থিত থাকে।

# নগাঁৱত আৰক্ষীৰ ড্ৰাগছ বিৰোধী অভিযানত বৃহৎ পৰিমাণৰ ধনৰাশিসহ আটক মহিলা

ই-সংবাদ, বেবেজীয়া, ২৯ নৱেম্বৰঃ ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ দৰে নগাঁও জিলাটো দীৰ্ঘদিনৰে পৰা আৰক্ষীয়ে চলাই আহিছে নিষিদ্ধ ড্ৰাগছৰ বিৰুদ্ধে অভিযান। তথাপি আৰক্ষীলৈ কেৰেপ নকৰি দুষ্ট চক্ৰই জিলাখনত অব্যাহত ৰাখিছে ড্ৰাগছৰ গোপন বেহা। ইয়াৰ মাজতে বৃহস্পতিবাৰে নিশা জিলাখনৰ ধনিয়াভেটিত বটদ্ৰৱা আৰক্ষীয়ে চলোৱা ড্ৰাগছ বিৰোধী অভিযানত নিষিদ্ধ ড্ৰাগছ আৰু বৃহৎ পৰিমাণৰ ধনৰাশিসহ এগৰাকী মহিলা আটক হোৱা ঘটনাই ৰাইজৰ মাজত চাঞ্চল্যৰ সৃষ্টি কৰিছে। এক গোপন সূত্ৰৰ খবৰৰ ভিত্তিত বটদ্ৰৱা আৰক্ষী থানৰ ভাৰপ্ৰাপ্ত বিষয়া বীৰেণ কলিতাৰ নেতৃত্বত আৰক্ষীৰ দলে ধনিয়াভেটি চৌৰাপাৰাৰ হামিদুল ইছলাম নামৰ এটা কুখ্যাত ড্ৰাগছ ব্যৱসায়ীৰ ঘৰত অতৰ্কিতে অভিযান চলায়। এই অভিযানত আৰক্ষীয়ে ড্ৰাগছভৰ্তি দুটা কণ্টেইনাৰসহ মুঠ ৪,৮০,০০০ টকা জব্দ কৰিবলৈ সক্ষম হয়। অভিযানৰ সময়ত কৌশলেৰে কুখ্যাত ড্ৰাগছ ব্যৱসায়ী হামিদুল ইছলামে পলায়ন কৰে যদিও আৰক্ষীয়ে ফজিলা খাতুন নামৰ এগৰাকী মহিলা সৰবৰাহকাৰীক কৰায়ত্ত কৰে। উল্লেখ্য যে, দীৰ্ঘদিনে ড্ৰাগছৰ বেহাৰ লগত জড়িত হৈ থকা হামিদুল ইছলাম নগাঁৱৰ পশ্চিমাঞ্চলত ড্ৰাগছ ব্যৱসায়ী হিচাপে পূৰ্বে পাঁচবাৰ আৰক্ষীৰ হাতত আটক হৈছিল।

## কামৰূপ জিলা দণ্ডাধীশ দেৱ কুমাৰ মিশ্ৰৰ নিৰ্দেশ জাৰি

# গা লৰিল! কামৰূপ জিলাত অবৈধভাৱে পাহাৰ খননত নিষেধাজ্ঞা

**ই-সংবাদ, গুৱালকুছি, ২৯ নৱেম্বৰঃ** কামৰূপ জিলা দণ্ডাধীশ দেৱ কুমাৰ মিশ্ৰই আজি বি এন এছ এছৰ ১৬৩ নং ধাৰা অধীনত প্ৰদত্ত ক্ষমতা প্ৰয়োগৰে এক নিৰ্দেশ জাৰি কৰি কামৰূপ জিলাত অবৈধভাৱে পাহাৰ খনন, জিলাখনৰ সকলো পাহাৰ আৰু পাৰিপাৰ্শ্বিকভাৱে সংৰক্ষিত এলেকাৰ পৰা মাটি আৰু পাহাৰৰ মাটি (ৰঙা মাটি) অবৈধভাৱে সংগ্ৰহ কৰা, পৰিবহণ কৰাত তৎকালীনভাৱে বলবৎ হোৱাকৈ নিষেধাজ্ঞা আৰোপ কৰিছে। এই নিষেধাজ্ঞা পৰৱৰ্তী নিৰ্দেশ জাৰি নকৰা পৰ্যন্ত বাহাল থাকিব। উল্লেখ্য যে ৰাজ্য চৰকাৰে 'ডি আছাম হিলছ এণ্ড ইক'লজিকেল ছাইটছ প্ৰটেক্টচন এক্ট, ২০০৬' প্ৰণয়নৰ জৰিয়তে ৰাজ্যৰ পাহাৰসমূহ/নদীগৰ্ভ/ জলাশয় এলেকাত মাটি কটাত নিষেধাজ্ঞা আৰোপ কৰাৰ পিছতো কামৰূপ জিলাৰ বিভিন্ন স্থানত অবাধ পাহাৰ কটা চলি থকাৰ প্ৰতি লক্ষ্য ৰাখি এই নিষেধাজ্ঞা আৰোপ কৰা হৈছে। উল্লেখ্য যে এই নিষেধাজ্ঞা আৰোপৰ সময়ত একাংশ ব্যক্তি বা ব্যক্তিৰ গোটে কামৰূপ জিলাৰ বিভিন্ন পাহাৰ, নদীগৰ্ভ আৰু জলাশয়ৰ পৰা অবৈধভাৱে বালি/মাটি/শিল কটা আৰু কঢ়িওৱাৰ কাৰ্য অব্যাহত ৰখাৰ ফলত জিলাখনত খহনীয়া/ ভূমিস্খলন/নলা বন্ধ হোৱাৰ দৰে বিপদ সৃষ্টি হোৱা, এনে কাৰ্যই উক্ত এলেকা বা দাঁতি-কাষৰীয়া এলেকাত বাস কৰা লোকসকলৰ জীৱন আৰু সম্পত্তিলৈ বিপদ কঢ়িয়াই অনা আৰু ই চৰকাৰী ৰাজহ আৰু পৰিৱেশৰ অপূৰণীয় ক্ষতি কৰাৰ প্ৰতি লক্ষ্য ৰাখি এই নিষেধাজ্ঞা আৰোপ কৰা হৈছে। এই নিষেধাজ্ঞা উলংঘা কৰিলে বি এন এছৰ ২২৩ নং ধাৰা আৰু আন যিকোনো প্ৰাসংগিক আইনৰ অধীনত দণ্ডনীয় হ'ব।



মফচলীয় সাংবাদিকৰ বিভিন্ন সমস্যাৰ সন্দৰ্ভত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক আপ্‌কুৰ স্মাৰক পত্ৰ প্ৰদান আপ্‌কুৰ

# নবীনৰ উদ্যোগত মামণি ৰয়ছম গোস্বামীৰ পৱিত্ৰ স্মৃতি দিৱস উদযাপন

ই-সংবাদ, গুৱাহাটী, ২৯ নৱেম্বৰঃ জ্ঞানপীঠ বঁটাৰে বিভূষিতা, প্ৰথিতযশা কথাশিল্পী মামণি ৰয়ছম গোস্বামীৰ ১৩ সংখ্যক মৃত্যু বাৰ্ষিকী উপলক্ষে আজি কটন বিশ্ববিদ্যালয়ৰ 'নবীন লেখক-লেখিকা আৰু শিল্পী সমিতি'ৰ উদ্যোগত সাহিত্যিকগৰাকীক শ্ৰদ্ধা নিবেদনৰ উদ্দেশ্যে কটন বিশ্ববিদ্যালয়ৰ এম চি বি ভৱনৰ সভাকক্ষত এক অনুষ্ঠানৰ আয়োজন কৰা হয়। 'নবীন' সাহিত্য গোটৰ ভাৰপ্ৰাপ্ত সম্পাদকদ্বয় ক্ৰমে কৌশিকী গোস্বামী আৰু শ্ৰুতাৰ্থা ভাগৱতীয়ে আঁত ধৰা অনুষ্ঠানটিত মুখ্য অতিথি হিচাপে উপস্থিত থাকে দক্ষিণ-পূব এছিয়া ৰামায়ণ গৱেষণা কেন্দ্ৰৰ সভাপতি, জ্ঞানপীঠ বিজয়িনীৰ ভগ্নী সবিতা শৰ্মা, কটন বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড০ মহেশ্বৰ কলিতা আৰু সংস্কৃত বিভাগৰ মুৰব্বী অধ্যাপিকা বাগ্মিতা শাণ্ডিল্যই। পোনপ্ৰথমে নবীন সাহিত্য গোটৰ সমবেত সংগীত পৰিৱেশনৰে অনুষ্ঠানটিৰ শুভাৰম্ভ কৰা হয়। সমবেত সংগীত পৰিৱেশন কৰে নবীনৰ সদস্যা ক্ৰমে ভায়োলিনা চহৰীয়া, দৃতিষা বুজৰবৰুৱা, গায়ত্ৰী দাস, তানিশা দাস, পৰী বৰা, মেঘালী কৌশিক, আত্ৰেয়ী ভৰদ্বাজ, অনুৰাধা দাস আৰু চাইনী দত্তই। ইয়াৰ পিছতে সাহিত্যিকগৰাকীৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলনৰ দ্বাৰা শ্ৰদ্ধা নিবেদন কৰা হয় আৰু উপস্থিত অতিথিসকলক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। অনুষ্ঠানটোত বিশিষ্ট অতিথি হিচাপে উপস্থিত থকা সবিতা শৰ্মা, ড০ মহেশ্বৰ কলিতা, বাগ্মিতা শাণ্ডিল্য, অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহ সদস্য তথা সাংবাদিক দীপক শৰ্মা আৰু নবীন সাহিত্য গোটৰ সভাপতি ড০ ধ্ৰুৱজ্যোতি শৰ্মাই অনুষ্ঠানটিৰ লগত সংগতি ৰাখি বক্তৃতা আগবঢ়ায়। সকলোৰে সাৰগৰ্ভ বক্তৃতাই অনুষ্ঠানটিৰ গাম্ভীৰ্য বঢ়াই তোলে। প্ৰথিতযশা সাহিত্যিকগৰাকীক সোঁৱৰণ কৰাৰ মানসেৰে তেওঁৰ 'বৃত্তৰ পৰিধি ভাঙি' শীৰ্ষক গ্ৰন্থখনৰ কিছু অংশ দলীয়ভাৱে পাঠ কৰে অদিতি বড়া আৰু সাৰ্থক প্ৰতীম কাশ্যপে। 'তোমাৰ কণ্ঠক বাদ দি মই মোৰ জন্মভূমিৰ নক্সা আঁকিব নোৱাৰোঁ' শীৰ্ষক কবিতাটি দলীয়ভাৱে পাঠ কৰে সুকন্যা বৰগোহাঁই, গায়ত্ৰী দাস, দৃতিষা বুজৰবৰুৱাই। ইয়াৰ লগতে কমলিকা কাশ্যপ, কিৰণময়ী সোণোৱাল, বিতুপন নাথ, অমৃত শইকীয়াই গীত পৰিৱেশন কৰি অনুষ্ঠানটিৰ সৌষ্ঠৱ বৃদ্ধি কৰে। অনুষ্ঠানটি সৰ্বাংগ সুন্দৰ কৰি তোলাত সামাজিক মাধ্যমত সহায় কৰে মনজিত, মৃগাক্ষী ডেকাৰজা, দীপজ্যোতি ভট্টাচাৰ্যই। লগতে স্বেচ্ছাসেৱক হিচাপে উপস্থিত থাকে বিতুপন নাথ, সাৰ্থক, ড্ৰনা আৰু হৃষ্টি দত্ত। শেষত নবীনৰ এঞ্জেলিনা দাসে শলাগৰ শৰাই আগবঢ়ায়।

# নগাঁৱৰ কামপুৰ, চকলাঘাটত মেল'ডি নাট্য গোষ্ঠীৰ নাট্যানুষ্ঠানৰ শুভ মহুৰত সম্পন্ন

**ই-সংবাদ, বেবেজীয়া, ২৯ নৱেম্বৰঃ** নগাঁও জিলাৰ চকলাঘাটৰ ব্ৰাহ্মণগাঁও ফুলনিআটিত বৃহস্পতিবাৰে নিশা মেল'ডি নাট্য গোষ্ঠীৰ নাট্যানুষ্ঠানৰ শুভ মহুৰত অনুষ্ঠানটি সম্পন্ন কৰা হয়। লতা বেবীৰ দ্বাৰা বৰগীত পৰিৱেশনেৰে শুভাৰম্ভ ঘটোৱা অনুষ্ঠানটোত শিক্ষাবিদ ৰাণা প্ৰকাশ বৰাই বন্তি আৰু নাট্যকৰ্মী প্ৰণৱ কুমাৰ শইকীয়াই ধূপ প্ৰজ্বলন কৰাৰ লগতে নাৰিকল ভাঙে অমূল্য কাকতি জীৱন জোৰা সাধনা বঁটা প্ৰাপক জিতেন্দ্ৰ নাথ বৰাই। ইয়াৰ পিছতে এইবাৰ উক্ত নাট্য সন্ধ্যাত মঞ্চস্থ কৰিবলগীয়া ধ্ৰুৱজ্যোতি বৰাৰ ৰচিত 'চাকোলা-সোণাইপৰীয়া এক কিংবদন্তি' নামৰ নাটকখনিৰ প্ৰস্তাৱনা দৃশ্যটি পাঠ কৰে প্ৰবীণ অভিনেতা মোহন শইকীয়াই। গীত-মাতেৰে উজলি উঠা অনুষ্ঠানটিৰ উদ্দেশ্য ব্যাখ্যা কৰে বিশিষ্ট নাট্যকাৰ, পৰিচালক ধ্ৰুৱজ্যোতি বৰাই। বিশিষ্ট কবি সঞ্জীৱ সাগৰ চৌধুৰীয়ে সামগ্ৰিকভাৱে আঁত ধৰা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত বিশিষ্ট শিল্পী ৰঞ্জন কুমাৰ বেজবৰুৱা, তৰুণ শইকীয়া, জিতু শ্ৰাৱন, দীপাংক শইকীয়া, ৰঞ্জিত শইকীয়া, ৰাণা প্ৰকাশ বৰা আদিয়ে গীত পৰিৱেশনেৰে উপস্থিত সকলোকে আপ্লুত কৰি তোলে। অনুষ্ঠানত প্ৰবীণ অভিনেতা পদুম বৰা, ভূমিকান্ত শৰ্মা, দিপু বৰা, সমাজকৰ্মী দৰ্শন মহন্ত, চন্দ্ৰজিৎ দাস, জ্যেষ্ঠ সাংবাদিক জয়ন্ত মুদৈ আৰু তবলা বাদক পংকজ কুমাৰ মুদৈৰ লগতে কৃষ্ণ ডেকা, উমানন্দ হাজৰিকা, চোনা বৰা, পাপুল শইকীয়া, প্ৰকাশ শইকীয়া, বিকাশ বৰা, সঞ্জয় বৰা, অভিজিৎ বৰা, চিংকি কলিতা, বৰ্ণালী পৰাশৰ, মামনী শইকীয়া, খ্যাতি প্ৰিয়ম বৰা, প্ৰিয়াংকু শইকীয়া, জিষ্ণু বেজবৰুৱাকে ধৰি বহুকেইগৰাকী নবীন-প্ৰবীণ অভিনেতা-অভিনেত্ৰী উপস্থিত থাকে। উল্লেখ্য যে, মেল'ডি নাট্যগোষ্ঠীৰ আগন্তক প্ৰতিষ্ঠা দিৱস উপলক্ষে অনুষ্ঠিত হ'বলগীয়া উক্ত নাট্যানুষ্ঠানত ধ্ৰুৱজ্যোতি বৰাৰ ৰচনা আৰু পৰিচালনাৰে 'চাকোলা-সোণাইপৰীয়া এক কিংবদন্তি'ৰ লগতে অসমীয়া কলা-কৃষ্টি-সংস্কৃতিক বিশেষভাৱে প্ৰতিফলিত কৰা নাট 'স্ৰষ্টা' মঞ্চস্থ কৰা হ'ব বুলি জানিব পৰা গৈছে।

## 'বুলন কুমাৰ শইকীয়াৰ মৃত্যু সমাজ জীৱনৰ বাবে অপূৰণীয় ক্ষতি'

# ডিব্ৰুগড়ত সাংবাদিক বুলন কুমাৰ শইকীয়া-লক্ষ্মী প্ৰসাদ কাকতিক স্মৰণ

**ই-সংবাদ, ডিব্ৰুগড়, ২৯ নৱেম্বৰঃ** বিশিষ্ট সাংবাদিক তথা লেখক বুলন কুমাৰ শইকীয়াৰ মৃত্যুত মৰ্মাহত হৈ পৰিছে ডিব্ৰুগড়ৰ সাংবাদিক মহল। ডিব্ৰুগড় জিলা সাংবাদিক সন্থা আৰু বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ উদ্যোগত ডিব্ৰুগড় চহৰৰ থানা চাৰিআলিত বলিষ্ঠ সাংবাদিক প্ৰয়াত বুলন কুমাৰ শইকীয়া আৰু ডিব্ৰুগড় জিলা সাংবাদিক সন্থাৰ প্ৰাক্তন সভাপতি লক্ষ্মী প্ৰসাদ কাকতিৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত কৰা হয়। বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ সাধাৰণ সম্পাদক ৰাতুল গোহাঁয়ে আঁত ধৰা অনুষ্ঠানত ডিব্ৰুগড় জিলা সাংবাদিক সন্থাৰ সাধাৰণ সম্পাদক তথা বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ সভাপতি মনজিৎ বৰা আৰু বৃহত্তৰ প্ৰেছ ক্লাবৰ উপ-সভাপতি বিভাস দুৱৰাই প্ৰয়াত বুলন কুমাৰ শইকীয়া আৰু লক্ষ্মী প্ৰসাদ কাকতিৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰাৰ লগতে উপস্থিত সাংবাদিক আৰু বিভিন্ন অনুষ্ঠান আৰু সংগঠনৰ প্ৰতিনিধিয়ে মমবাতি প্ৰজ্বলন কৰে। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত জিলা সাংবাদিক সন্থাৰ সাধাৰণ সম্পাদক মনজিৎ বৰাই বুলন কুমাৰ শইকীয়া আৰু লক্ষ্মী প্ৰসাদ কাকতিৰ সৈতে সাংবাদিকতা জীৱনত লাভ কৰা সান্নিধ্যৰ কথা শ্ৰদ্ধাৰে স্মৰণ কৰে। অতি নিৰ্মোহ বিশ্লেষণেৰে সংবাদ সেৱা আগবঢ়োৱাৰ উপৰি সামাজিক ক্ষেত্ৰখনতো তেওঁলোকৰ অনবদ্যঅৱদানৰ কথা উল্লেখ কৰে। জ্যেষ্ঠ সাংবাদিক বিভাস দুৱৰাই বুলন কুমাৰ শইকীয়াৰ দৰে জাতীয়তাবাদী এক সত্তাৰ মৃত্যুত সমগ্ৰ জাতিৰ বাবে এক অপূৰণীয় ক্ষতি বুলি কয়। অনুষ্ঠানত জ্যেষ্ঠ সাংবাদিক অনিল কুমাৰ পোদ্দাৰ উপস্থিত থাকি সাংবাদিক বুলন কুমাৰ শইকীয়াৰ সৈতে



অধুনালুপ্ত এন ই টিভিত একেলগে সাংবাদিকতা আৰু দীৰ্ঘদিনীয়া সান্নিধ্যৰ বিষয়ে উল্লেখ কৰি তেওঁৰ মৃত্যু সমাজ জীৱনৰ বাবে এক ক্ষতি বুলি অভিহিত কৰে। এই অনুষ্ঠানত জ্যেষ্ঠ সাংবাদিক, নিৰন্ধকাৰ চন্দন ফুকন, জ্যোতিষ পাতিৰ, মুক্তামণি হাজৰিকা, যাদৱ গগৈ, জেছিম আহমেদ, শৈলেশ জৈন, মনোজ পাণ্ডে, হিৰণ্য বৰা, সমাজসেৱক প্ৰণৱ শইকীয়া আদিৰ লগতে ভালেসংখ্যক সাংবাদিক আৰু অন্যান্য বিশিষ্ট ব্যক্তি উপস্থিত থাকি দীৰ্ঘদিন সততা আৰু নিষ্ঠা সহকাৰে বলিষ্ঠ সাংবাদিকতা কৰি যোৱা বুলন কুমাৰ শইকীয়াৰ জীৱন-আদৰ্শক স্মৰণ কৰে। উল্লেখ্য যে, দীৰ্ঘদিন ধৰি শাৰিৰীকভাৱে অসুস্থ হৈ থকা বিশিষ্ট সাংবাদিক বুলন কুমাৰ শইকীয়া নাহৰকটীয়াৰ নিজ বাসগৃহত শেষ নিশ্বাস ত্যাগ কৰে। ইফালে, যোৱা শুকুৰবাৰে ডিব্ৰুগড়ৰ এখন নাৰ্চিং হোমত চিকিৎসাধীন অৱস্থাত ইহসংসাৰ ত্যাগ কৰিছিল ডিব্ৰুগড় জিলা সাংবাদিক সন্থাৰ প্ৰাক্তন সভাপতি লক্ষ্মী প্ৰসাদ কাকতিয়ে।

# সীমান্ত ৰত্ন দীনেশ চন্দ্ৰ সৰকাৰৰ নৱম মৃত্যু বাৰ্ষিকী পালন

**ই-সংবাদ, গোলকগঞ্জ, ২৯ নৱেম্বৰঃ** ধুবুৰী জিলাৰ ভাৰত-বাংলাদেশ সীমান্তৰ ৰাখালপাটৰ সীমান্ত সংঘত কালি গোলকগঞ্জ সমষ্টিৰ প্ৰাক্তন বিধায়ক সীমান্ত ৰত্ন হিচাপে খ্যাত দীনেশ চন্দ্ৰ সৰকাৰৰ নৱম মৃত্যু বাৰ্ষিকী পালন কৰা হয়। এই উপলক্ষে বন্তি প্ৰজ্বলন কৰি কাৰ্যসূচীৰ শুভাৰম্ভ কৰে বিশিষ্ট সমাজকৰ্মী ৰজত অধিকাৰীয়ে। অৱসৰপ্ৰাপ্ত শিক্ষক গৌৰাং চৌধুৰীৰ পৌৰোহিত্যত এখন স্মৃতিচাৰণ সভা অনুষ্ঠিত হয়। সভাত অৱসৰপ্ৰাপ্ত আৰক্ষী বিষয়া শৈলেন্দ্ৰ বৰ্মন, বিশিষ্ট ব্যৱসায়ী সুনিলগছপুলি বিতৰণ কৰে। দেৱনাথ, মদন দেৱনাথ, জয়ন্ত সিংহ, বিৰত প্ৰধানী আদি উপস্থিত থাকি সীমান্তৰ বিভিন্ন সমস্যা সমাধানত প্ৰাক্তন বিধায়ক দীনেশ চন্দ্ৰ সৰকাৰৰ অৱদান, আদৰ্শ, কৰ্মৰ বিষয়ে আলোচনা কৰে। প্ৰাক্তন বিধায়ক সৰকাৰ একেধাৰে এগৰাকী অৱসৰপ্ৰাপ্ত শিক্ষক, সাংবাদিক, সাহিত্যিক আৰু এগৰাকী আদৰ্শ কৃষক আছিল। বিগত বছৰবোৰৰ দৰে এইবেলিও তেওঁৰ পুত্ৰ ধ্ৰুৱ সৰকাৰে সীমান্তবাসী ৰাইজৰ মাজত এশটা

# সত্ৰশালত নিচা মুক্ত ভাৰত অভিযানত ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণ

**ই-সংবাদ, গোলকগঞ্জ, ২৯ নৱেম্বৰঃ** ধুবুৰী জিলাৰ সত্ৰশাল উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আজি ধুবুৰী জিলা সমাজ কল্যাণ বিভাগৰ উদ্যোগত নিচাজাতীয় সামগ্ৰীৰ বিৰুদ্ধে সজাগতা বৃদ্ধিৰ উদ্দেশ্যে নিচা মুক্ত ভাৰত অভিযান দিনজোৰা কাৰ্যসূচীৰে পালন কৰা হয়। নিচাজাতীয় সামগ্ৰীৰ নেতিবাচক প্ৰভাৱৰ বিৰুদ্ধে ছাত্ৰ-ছাত্ৰী তথা ৰাইজক সজাগ কৰাৰ উদ্দেশ্যে কাৰ্যসূচীৰ আৰম্ভণিতে বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলে বিশাল শোভাযাত্ৰা উলিয়ায়। সহস্ৰাধিক ছাত্ৰ-ছাত্ৰী অংশগ্ৰহণ কৰা শোভাযাত্ৰাত শিক্ষক-শিক্ষয়িত্ৰী, সমাজ কল্যাণ বিভাগৰ কৰ্মী, সহকৰ্মী, বিষয়া-কৰ্মচাৰীসকলেও অংশগ্ৰহণ কৰে। নিচাজাতীয় দ্ৰব্য পৰিহাৰ কৰক, নিচামুক্ত ভাৰত গঢ়ি তোলক, নিচা এৰক সুস্থ থাকক, আদি ধ্বনিৰে সত্ৰশালৰ আকাশ-বতাহ কঁপাই তোলে। ইয়াৰ পিছতে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত প্ৰতিযোগিতামূলক খেল-ধেমালি, চিত্ৰাংকন, নৃত্য গীত, নাটক আদি অনুষ্ঠিত হয়। সত্ৰশাল উচ্চতৰ মাধ্যমিক বিদ্যাপীঠৰ অধ্যক্ষ আয়ুব আলী সেখৰ সভাপতিত্ব এখন সজাগতামূলক সভা অনুষ্ঠিত হয়। সভাত নিচাজাতীয় দ্ৰব্য সেৱন কৰিলে হ'ব পৰা ক্ষয়-ক্ষতি, বেমাৰৰ লগতে ইয়াৰ পৰা পৰিত্ৰাণ পাবলৈ বিভিন্ন ধৰণে মনোগ্ৰাহীকৈ সহজ, সাৱলীলভাৱে বক্তব্য আগবঢ়ায় ধুবুৰী জিলা সমাজ কল্যাণ বিভাগৰ ভাৰপ্ৰাপ্ত বিষয়া সুব্ৰত সিদ্ধাৰ্থ গোস্বামী, জিলা আৱকাৰী বিভাগৰ অধীক্ষক বেদাংগ শইকীয়া, আগমনি থানাৰ আৰক্ষী বিষয়া জয় চন্দ্ৰ ৰাভা, সত্ৰশাল ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ চিকিৎসক ডাঃ কৃষ্ণা শ্বাহ, সত্ৰশাল বিএছএফ কেম্পৰ ভাৰপ্ৰাপ্ত বিষয়া আদিয়ে। সভাত প্ৰতিযোগিতাসমূহত বিজয়ীসকলৰ মাজত পুৰস্কাৰ বিতৰণ কৰা হয়।

## তিনিচুকীয়াৰ কুঁৱৰীপথাৰত প্ৰতিজন বিষয়াক বিশেষ দায়িত্ব অৰ্পন

# পানী যোগান আঁচনিৰ মান উন্নয়নৰ বাবে জিলা আয়ুক্তৰ অভিনৱ প্ৰদক্ষেপ

**ই-সংবাদ, ডুমডুমা, ২৯ নৱেম্বৰঃ** জল জীৱন মিছনৰ অধীনত স্থাপন কৰা ঘৰে ঘৰে খোৱা পানী যোগানৰ আঁচনিসমূহৰ সঠিক ৰূপায়ণৰ বাবে এক অভিনৱ পদক্ষেপ অনুসৰি তিনিচুকীয়া জিলাৰ সকলো জ্যেষ্ঠ বিষয়াক একোখনকৈ আঁচনিৰ দায়িত্ব অৰ্পণ কৰা হৈছে। জিলা আয়ুক্ত স্বপনীল পালে নিজেও বৰডুবি গাঁও পঞ্চায়তৰ অন্তৰ্গত কুঁৱৰীপথাৰ পানী যোগান আঁচনিৰ উপভোক্তা সমিতিৰ পৰামৰ্শদাতা হিচাপে দায়িত্ব গ্ৰহণ কৰিছে। সেই উদ্দেশ্যে আজি জিলা আয়ুক্তগৰাকীয়ে নিজেই উক্ত আঁচনিখন পৰিদৰ্শন কৰাৰ লগতে ইয়াৰ উপভোক্তাসকলৰ সৈতে আলোচনাত মিলিত হয়। তেওঁ এই আঁচনিখনৰ অধীনত ঘৰে ঘৰে পানী যোগানৰ সুবিধা লাভ কৰা উপভোক্তাসকলক আঁচনিখন সঠিকভাৱে বৰ্তাই ৰাখিবলৈ কিছু নিয়মীয়া বৰঙনি আগবঢ়োৱাৰ আহ্বান জনায় আৰু যিসকলে আগ্ৰহেৰে এনে বৰঙনি দিয়ে তেওঁলোকক প্ৰমাণপত্ৰ প্ৰদান কৰা হব বুলিও জানিবলৈ দিয়ে। তদুপৰি পানীৰ সঠিক আৰু কাৰ্যকৰী ব্যৱহাৰৰ বিষয়েও তেওঁ পৰামৰ্শ আগবঢ়ায়। তেওঁ এই প্ৰকল্পটোৰ পৰা বিশুদ্ধ খোৱাপানী পৰ্যাপ্ত মাত্ৰাত আৰু নিয়মীয়াকৈ আহৰণ কৰাটো নিশ্চিত কৰিবলৈ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ বিষয়াক নিৰ্দেশ দিয়ে। অনুষ্ঠানত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ ডিগবৈ উপ-সংমণ্ডলৰ সহঃ কাৰ্যবাহী অভিযন্তা ধ্ৰুৱজ্যোতি বৰঠাকুৰো উপস্থিত থাকে। উল্লেখ্য যে, এই আঁচনিখনৰ অধীনত অঞ্চলটোৰ ২২৫ টা পৰিয়ালে নলযোগে খোৱাপানীৰ সুবিধা লাভ কৰিছে। জলজীৱন মিছনে গ্ৰহণ কৰা শেহতীয়া পদক্ষেপ অনুসৰি প্ৰতিখন পানীযোগান আঁচনিৰ উপভোক্তা




সমিতিসমূহ একোজনকৈ ৰাজপত্ৰিত বিষয়াই তদাৰক কৰিব, যাতে এই সমিতিসমূহে বিভাগীয়ভাৱে নিৰ্ধাৰিত পঞ্চতাৰকা খচিত মান ৰক্ষা কৰি আঁচনিসমূহ কাৰ্যকৰী আৰু সঠিকভাৱে ৰূপায়িত হয়। সেই অনুসৰি, জিলা প্ৰশাসনৰ অধীনৰ ২৪ জন ভাৰতীয় প্ৰশাসনীয় সেৱা আৰু অসম অসামৰিক সেৱাৰ বিষয়াক জিলা আয়ুক্তই ২৪ খন সমিতিৰ দায়িত্ব প্ৰদান কৰিছে। জনস্বাস্থ্য কাৰিকৰী বিভাগৰ বিষয়াসকলেও একোখনকৈ সমিতিৰ দায়িত্ব গ্ৰহণ কৰাৰ লগতে অন্যান্য বিষয়াসকলকো পৰ্যায়ক্ৰমে নিয়োজিত কৰা হ'ব। প্ৰতিজন বিষয়াই নিজ নিজ আঁচনিৰ জৰিয়তে গুণসম্পন্ন পানী পৰ্যাপ্ত মাত্ৰাত যোগান ধৰাৰ প্ৰয়াস চলোৱাৰ লগতে ইয়াৰ পৰিচালনাৰ বাবে গঠিত উপভোক্তা সমিতিসমূহক সু-সংগঠিত আৰু অধিক দায়িত্বশীল ৰূপত গঢ়াৰ বাবে ব্যক্তিগতভাৱে প্ৰয়াস চলাব।

# কঁপাহবাৰী গাঁও পঞ্চায়তত দালালৰ দপদপনি

**ই-সংবাদ, মোৰাঝাৰ, ২৯ নৱেম্বৰঃ** হোজাইৰ বিন্নাকান্দি উন্নয়ন খণ্ডৰ অন্তৰ্গত কঁপাহবাৰী গাঁও পঞ্চায়তত চলিছে দালালৰ দপদপনি। কোনোবাই যদি এনৰেগা আঁচনি ৰূপায়ণত দালালি কৰিছে আন কোনোবাই আকৌ কৃষি বিভাগৰ লগতে প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ ঘৰ দিয়াৰ নামত কৰিছে দালালি। কালি কঁপাহবাৰী গাঁও পঞ্চায়তৰ প্ৰাক্তন সভাপতি কবিৰ আহমেদে নিজ বাসভৱনত এক সংবাদমেল আয়োজন কৰি সদৰী কৰে এই যাৱতীয় কথা। দালালৰ দপদপনিত অতিষ্ঠ হৈ পৰিছে পঞ্চায়তখনৰ সাধাৰণ ৰাইজ। যোৱা পাঁচ বছৰ ধৰি দালালি কৰিব নোৱাৰা এই দালালসকলে পঞ্চায়তৰ সভাপতিৰ কাৰ্যকাল শেষ হোৱাৰ পাছতেই পুনৰ সক্ৰিয় হৈ পৰাৰ অভিযোগ উঠিছে। আৰ টি আই কৰি বা আন প্ৰকাৰে চৰকাৰী বিষয়া-কৰ্মচাৰীক ভীতিগ্ৰস্ত কৰি এই দালাল চক্ৰটোৱে দালালি কৰি যোৱাৰো অভিযোগ উত্থাপিত হৈছে। দালাল চক্ৰটোৰ একাংশ এনেৰেগা আঁচনিৰ জৰিয়তে পথ নিৰ্মাণ, মছজিদ, মন্দিৰৰ উন্নয়ন কৰা নামটো দালালি কৰি আঁচনিৰ সিংহভাগ ধন আত্মসাৎ কৰাৰো অভিযোগ তুলিছে। অকল ইমানেই নহয় কৃষক ৰাইজৰ নামত আবণ্টিত ধন, অংগনবাড়ী কেন্দ্ৰৰ নামত আবণ্টিত সা-সামগ্ৰী, দুখীয়া, বিধৱা মহিলাৰ নামত আবণ্টিত প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ নামত আবণ্টিত ধনৰ সামান্য পৰিমাণে দি বাকী সকলো ধন আত্মসাৎ কৰাৰ কথা সংবাদ মাধ্যমৰ আগত সদৰী কৰে প্ৰাক্তন সভাপতিগৰাকীয়ে।দালালসকলৰ এই কাৰ্যৰ বিৰুদ্ধে অভিযোগ দিলে, তেওঁলোকে হকে বিহকে অভিযোগ দি অভিযোগককাৰীৰ বিৰুদ্ধে অপপ্ৰচাৰতো লিপ্ত হোৱাৰ বিস্ফোৰক অভিযোগ কৰে প্ৰাক্তন সভাপতিগৰাকীয়ে। চৰকাৰ প্ৰশাসনক এক উচ্চ পৰ্যায়ৰ তদন্তৰ জৰিয়তে দালাল চক্ৰটোক দৃষ্টান্তমূলক শাস্তি প্ৰদানৰ দাবী জনায় প্ৰাক্তন সভাপতিগৰাকীৰ লগতে সচেতন মহলে।

# লাহৰীঘাটত গ্ৰেপ্তাৰ মুন্নাভাই ৰূপী এম বি বি এছ

**ই-সংবাদ, লাহৰীঘাট, ২৯ নৱেম্বৰঃ** লাহৰীঘাটত কালি আৰক্ষীয়ে এগৰাকী মুন্নাভাই ৰূপী ডাক্তৰক গ্ৰেপ্তাৰ কৰি জে'ললৈ প্ৰেৰণ কৰে। আৰক্ষীৰ জালত পৰা মুন্নাভাই ৰূপী ডাক্তৰজন লাহৰীঘাট সমজিলাৰ অন্তৰ্গত ভূএগ্ৰাবাৰী গাঁৱৰ মঞ্জুৰাৰ হুছেইন। উল্লেখ্য যে চলিত বৰ্ষৰ আগষ্ট মাহত এইগৰাকী মুন্নাভাই ৰূপী ডাক্তৰৰ ভুল চিকিৎসাৰ ফলত ভূএগ্ৰাবাৰী গাঁৱৰ এগৰাকী মহিলাৰ গৰ্ভপাত হোৱাৰ অভিযোগ উত্থাপন হৈছিল। ঘটনা সন্দৰ্ভত ভুক্তভোগী মহিলাই লাহৰীঘাট আৰক্ষী থানাত গোচৰ ৰুজু কৰিবলৈ আহে যদিও লাহৰীঘাট আৰক্ষীয়ে গোচৰ নোলোৱাত পৰৱৰ্তী সময়ত মহিলাগৰাকীয়ে মৰিগাঁও আৰক্ষী অধীক্ষকৰ ওচৰত এক গোচৰ ৰুজু কৰে। সেই গোচৰৰ ভিত্তিত আজি লাহৰীঘাট আৰক্ষীয়ে দীৰ্ঘদিন ধৰি পলাতক অৱস্থাত থকা মুন্নাভাই ৰূপী ডাক্তৰ মঞ্জুৰাৰ হুছেইনক গ্ৰেপ্তাৰ কৰে। মুন্নাভাই ৰূপী ডাক্তৰ মঞ্জুৰাৰ হুছেইনক আৰক্ষীয়ে পিছত জে'ললৈ প্ৰেৰণ কৰে।

# হাজোত ড্ৰাগছ আৰু গাঞ্জাসহ আটক দুই সৰবৰাহকাৰী

**ই-সংবাদ, হাজো, ২৯ নৱেম্বৰঃ** হাজো আৰক্ষী থানাৰ অন্তৰ্গত শনিয়াদি আৰু বুল্লুটত যোৱা নিশা হাজো আৰক্ষীয়ে অভিযান চলায়। অভিযানত ড্ৰাগছ, নিচাজাতীয় টেবলেট আৰু বুজন পৰিমাণৰ গাঞ্জাসহ দুই ব্যৱসায়ীক আটক কৰে। এই দুই ড্ৰাগছ ব্যৱসায়ীয়ে দীৰ্ঘদিনৰ পৰা হাজোৰ বুল্লুট আৰু শনিয়াদিত মাৰাত্মক ড্ৰাগছ, গাঞ্জাৰ ব্যৱসায় চলাই অহাৰ অভিযোগ স্থানীয় ৰাইজৰ। শনিয়াদিত ববিদুল আলী(২০)ৰ ঘৰত আৰক্ষীয়ে অভিযান চলাই ২৩ টা ড্ৰাগছ ভৰ্তি কণ্টেনাৰ আৰু দুটা ম'বাইল ফোন জব্দ কৰে। আনহাতে, হাজোৰ বুল্লুটত তয়াব আলী(৫৫)ৰ ঘৰত অভিযান চলাই ৮৬৪ টা নিচাজাতীয় টেবলেট আৰু বুজন পৰিমাণৰ গাঞ্জা জব্দ কৰিবলৈ সক্ষম হয় হাজো আৰক্ষীয়ে। হাজো আৰক্ষী থানাৰ পৰিদৰ্শক নৱজিত নাথৰ নেতৃত্বত চলিছিল এই ড্ৰাগছ বিৰোধী অভিযান।

# ৰঙিয়াত ৰণদিয়া(শতদল) সাহিত্য সভাৰ প্ৰতিষ্ঠা দিৱস


ই-সংবাদ, ৰঙিয়া, ২৯ নৱেম্বৰঃ ৰঙিয়াৰ ৰণদিয়া(শতদল) সাহিত্য সভাৰ চতুৰ্থ বাৰ্ষিক প্ৰতিষ্ঠা দিৱস আজি ৰঙিয়াৰ ৰাইজমেল কৃষক শ্বহীদ ভৱন প্ৰাংগণত পালন কৰা হয়। এই উপলক্ষে পুৱাৰ ভাগত সংগঠনটোৰ সভাপতি জয়ন্ত জিত কলিতাই অসম সাহিত্য সভাৰ পতাকা উত্তোলনৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। পতাকা উত্তোলন কৰি আগবঢ়োৱা ভাষণত অনাগত দিনত ৰণদিয়া শতদল সাহিত্য সভা অসম সাহিত্য সভাৰ মজিয়াত জাকত জিলিকা শাখাৰূপে অধিষ্ঠিত হৈ ৰ'ব বুলি আশা প্ৰকাশ কৰে কলিতাই। পৰৱৰ্তী কাৰ্যসূচী ৰূপে জ্ঞানপীঠ বঁটাপ্ৰাপক সাহিত্যিক মামনি ৰয়ছম গোস্বামীৰ স্মৃতি দিৱস উপলক্ষে প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰি শ্ৰদ্ধাঞ্জলি জনায় ৰণদিয়া শতদল সাহিত্য সভাৰ প্ৰাক্তন সভাপতি প্ৰতুল ভূএগ্ৰাই। শাখাৰ প্ৰতিষ্ঠাপক সম্পাদক তথা অসম সাহিত্য সভাৰ মাতৃভাষা-ৰাজ্যভাষা প্ৰয়োগ সমিতিৰ আহ্বায়ক হেমন্ত কলিতাই পুষ্পাঞ্জলি অৰ্পণ কৰি সাহিত্যিকগৰাকীৰ স্মৃতিচাৰণ কৰে। কামৰূপ জিলা সাহিত্য সভাৰ আকাশ উপ-সমিতিৰ আহ্বায়িকা মামনি লহকৰ, শাখাটিৰ উপ-সভাপতি মুকুল ভূএগ্ৰা, আজীৱন সভ্য মনালিছা গোস্বামী প্ৰমুখ্যে বহুকেজন সাহিত্যানুৰাগীয়ে অনুষ্ঠানটিত অংশগ্ৰহণ কৰি মামনি ৰয়ছম গোস্বামীৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি তৰ্পণ কৰে। শাখাৰ সম্পাদক উজ্জ্বল ডেকাই আঁত ধৰে অনুষ্ঠানটো

# কামৰূপৰ বংশৰত মেধাৱী ছাত্ৰৰ ৰহস্যজনক মৃত্যুক লৈ তীব্ৰ প্ৰতিক্ৰিয়া

**ই-সংবাদ, শুৱালকুছি, ২৯ নৱেম্বৰঃ** কামৰূপ জিলাৰ শুৱালকুছি আৰক্ষী থানাৰ অন্তৰ্গত বংশৰ জল্টি দাস হাইস্কুলৰ ষষ্ঠ শ্ৰেণীৰ এগৰাকী মেধাৱী ছাত্ৰৰ ৰহস্যজনক মৃত্যুক লৈ বংশৰ অঞ্চলত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। শেহতীয়াভাৱে, প্ৰাপ্ত তথ্য মতে, বংশৰত ভাৰতীয়া হিচাপে থাকি শিপিনী হিচাপে কৰ্মৰত টিহুৰ বৰচকাদ'লৰ হৰেন কলিতাৰ পত্নী তথা দুই সন্তানৰ মাতৃ কৰবী কলিতাই প্ৰায় দুবছৰ পূৰ্বে দুই পুত্ৰ-স্বামীক এৰি বিপুল হালৈ নামৰ এগৰাকী ব্যক্তিলৈ পলাই গৈছিল। কিছুদিন গুৱাহাটীত থকাৰ পিছত শুৱালকুছিলৈ উভতি আহি বিপুল হালৈৰ সৈতে ভাৰতীয়া হিচাপে থাকিবলৈ লয়। আনহাতে, হৰেন কলিতাই দুই পুত্ৰক বংশৰ জল্টি দাস হাইস্কুলত নাম ভৰ্তি কৰাই দিয়ে। প্ৰথম পুত্ৰ ষষ্ঠ শ্ৰেণীত পঢ়াৰ লগতে দ্বিতীয় পুত্ৰ একেখন বিদ্যালয়ৰ চতুৰ্থ শ্ৰেণীত পঢ়ি আছিল। মাতৃ স্নেহ এৰিব নোৱাৰি স্কুল বন্ধ হ'লেই শুৱালকুছিৰ ভাড়াঘৰত থকা মাতৃৰ ওচৰলৈ যায় দুই পুত্ৰই। ২৩ নৱেম্বৰ শনিবাৰে স্কুলৰ ছুটিৰ পিছত দুই পুত্ৰই বিয়লি শুৱালকুছিত থকা মাতৃৰ ওচৰলৈ গৈছিল। নিশা মাতৃৰ সৈতে ভাত খোৱাৰ পিছতে দুই পুত্ৰৰ শৌচ-বমি হয়। লগে লগে মাতৃয়ে শুৱালকুছি মহাত্মা গান্ধী ৩০ খন বিছনাযুক্ত চিকিৎসালয়ত ভৰ্তি কৰে। ইতিমধ্যে চিকিৎসকে বৰপুত্ৰৰ মৃত্যু হোৱা বুলি ঘোষণা কৰাৰ লগতে সৰু পুত্ৰক উপযুক্ত চিকিৎসা কৰি সুস্থ কৰি তোলে। চিকিৎসকে মেধাৱী ছাত্ৰগৰাকীৰ সন্দেহজনক মৃত্যু সন্দৰ্ভত শুৱালকুছি আৰক্ষীক অৱগত কৰে। শুৱালকুছি আৰক্ষীয়ে মৃতদেহটো আৰক্ষী থানালৈ নি মৰণোত্তৰ পৰীক্ষাৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰে। মেধাৱী ছাত্ৰগৰাকীৰ মৃত্যুত বংশৰ জল্টি দাস হাইস্কুলৰ শিক্ষক-কৰ্মচাৰী তথা স্থানীয় ৰাইজে শোক প্ৰকাশ কৰাৰ লগতে মেধাৱী ছাত্ৰগৰাকীৰ ৰহস্যজনক মৃত্যুৰ তদন্তৰ দাবী জনায়।

# ধূলাত ড্ৰাগছসহ এজনক গ্ৰেপ্তাৰ আৰক্ষীৰ

**ই-সংবাদ, খাৰুপেটীয়া, ২৯ নৱেম্বৰঃ** দৰং জিলাৰ ধূলা আৰক্ষী ভাৰপ্ৰাপ্ত বিষয়া মুকুল হাজৰিকাৰ নেতৃত্বত আৰক্ষীৰ দল এটাই গোপন খবৰৰ ভিত্তিত যোৱা নিশা ধূলা আৰক্ষী থানাৰ অন্তৰ্গত ওজাগাঁৱত এক অভিযান চলাই ড্ৰাগছসহ এজন যুৱকক কৰায়ত্ত কৰিবলৈ সক্ষম হয়। যুৱকজনে ড্ৰাগছখিনি বিক্ৰী কৰিবলৈ আনিছিল। গ্ৰেপ্তাৰ হোৱা যুৱকজন চালনিকুছি গাঁৱৰ ছফিকুল ইছলাম বুলি জানিব পৰা গৈছে। ধৃত ছফিকুল ইছলামৰ পৰা ২৪ টা কন্টেইনাৰসহ নগদ ১৩ হাজাৰ টকা উদ্ধাৰ কৰে আৰক্ষীৰ দলটোৱে।



নৱনিৰ্বাচিত ৫গৰাকী বিধায়কৰ সৈতে অসম বিধানসভাত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা, ফটো শুকুৰবাৰৰ

# বিশিষ্ট সমাজ সংগঠক, অৱসৰপ্ৰাপ্ত শিক্ষক খগেন্দ্ৰ নাথ হালৈৰ মৃত্যু, বাক্সাত শোক

**ই-সংবাদ, মুছলপুৰ, ২৯ নৱেম্বৰঃ** অসম সাহিত্য সভাৰ অন্তৰ্গত বাস্কা আঞ্চলিক(শতদল শাখা) সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, অৱসৰপ্ৰাপ্ত শিক্ষক তথা সমাজকৰ্মী খগেন্দ্ৰ নাথ হালৈৰ যোৱা নিশা ৭২ বছৰ বয়সত মৃত্যু হয়। দীৰ্ঘদিন ধৰি হৃদৰোগত আক্ৰান্ত হৈ থকা বিশিষ্ট সমাজ সংগঠকগৰাকীক চেন্নাইৰ এখন ব্যক্তিগত চিকিৎসালয়ত ভৰ্তি কৰা হৈছিল যদিও যোৱা নিশা চিকিৎসাধীন অৱস্থাতে মৃত্যু হয়। পৰিয়ালৰ লোকে প্ৰকাশ কৰা মতে ভুল চিকিৎসাৰ ফলতে তেওঁৰ মৃত্যু হয়। মৃত্যুৰ আগমুহূৰ্তলৈকে তেওঁ বাক্সা জিলাৰ বিভিন্ন সামাজিক অনুষ্ঠানৰ লগত জড়িত হৈ আছিল। তেওঁ বাস্কা আঞ্চলিক(শতদল শাখা) সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, অসম সাহিত্য সভাৰ আজীৱন সভ্য, মুছলপুৰ আঞ্চলিক জ্যেষ্ঠ নাগৰিক পৰিষদৰ সভাপতি , শান্তিপুৰ-শিৰিষবাৰী অৰুণোদয় সংঘৰ সভাপতি, বাক্সা জিলা কেওট জাতীয় পৰিষদৰ নেতা, মুছলপুৰ প্ৰাথমিক পৰীক্ষা পৰিষদৰ সভাপতি, শান্তিপুৰ শ্ৰীকৃষ্ণ সঞ্চয় সমিতিৰ সভাপতি, তিনি নং বেলগুৰিপথাৰ প্ৰাথমিক বিদ্যালয়ৰ প্ৰাক্তন প্ৰধান শিক্ষক, মুছলপুৰ শংকৰদেৱ শিশু নিকেতন পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি পদত অধিষ্ঠিত হৈ আছিল। আজি তেওঁৰ শেষকৃত্য সম্পন্ন কৰাৰ আগমুহূৰ্তত বাস্কা আঞ্চলিক সাহিত্য সভা, জ্যেষ্ঠ নাগৰিক পৰিষদকে ধৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ প্ৰতিনিধি তথা কৰ্মীয়ে শেষ শ্ৰদ্ধা জ্ঞাপন কৰে আৰু শোক সন্তপ্ত পৰিয়ালবৰ্গক সমবেদনা জ্ঞাপন কৰে। সকলোৱে খগেন্দ্ৰ নাথ হালৈৰ মৃত্যুত এগৰাকী অভিভাৱক আৰু প্ৰকৃত সংগঠক হেৰুওৱা বুলি মন্তব্য কৰে। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ তিনি পুত্ৰ-বোৱাৰী আৰু নাতি-নাতিনীক ইহসংসাৰত এৰি থৈ যায়।

# প্ৰশাসনৰ নিৰ্দেশক বুঢ়া আঙুলি দেখুৱাই হাজোৰ লখাইতৰাত বালি খনন অব্যাহত

**ই-সংবাদ, হাজো, ২৯ নৱেম্বৰঃ** জিলা প্ৰশাসনৰ নিৰ্দেশনাক বুঢ়া আঙুলি দেখুৱাই হাজোৰ লখাইতৰা নৈত অবাধ বালি খনন। জিলা প্ৰশাসনৰ নিৰ্দেশনা আৰু হাজো বন বিভাগক কেৰেপ নকৰে বালি-মাফিয়াই। দিন-ৰাতি একাকাৰ কৰি নৈৰ বুকু তহিলং কৰাত উঠি-পৰি লাগিছে একাংশ বালি-মাফিয়া। হাজোৰ কলিতাকুছি লখাইতৰা নৈৰ লগতে কলাজল নৈত অবাধে বালি খনন কৰিছে একাংশ বালি-মাফিয়াই। উল্লেখ্য যে বিগত ১২ নৱেম্বৰত কামৰূপ জিলাৰ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই এক নিৰ্দেশ যোগে কামৰূপ জিলাত অবৈধ পাহাৰ কটা, শিল কটা, নৈৰ পৰা বালি সংগ্ৰহৰ বিৰুদ্ধে কঠোৰ আইনী ব্যৱস্থা লোৱাৰ লক্ষ্যৰে মুঠ সাতটাকৈ ৰাজহ চক্ৰৰ বাবে টাস্ক ফৰ্চ গঠন কৰিছিল। এই টাস্ক ফৰ্চ সমূহে জিলা প্ৰশাসনৰ অনুমতি অবিহনে অবৈধ ভাৱে পাহাৰ বা মাটি কটা, শিল কটা, নৈৰ বালি খনন আদি চলি থকা ঠাইসমূহৰ আকস্মিক পৰিদৰ্শন কৰি আইন উলংঘাকাৰীৰ বিৰুদ্ধে নিয়ম অনুসৰি প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰাৰ কথা উল্লেখ আছিল। সেই নিৰ্দেশনা অনুযায়ী হাজো ৰাজহ চক্ৰৰ বাবে হাজোৰ ৰাজহ চক্ৰ বিষয়া তথা কাৰ্যবাহী দণ্ডাধীশ আফ্ৰিন হুছেইনৰ নেতৃত্বত হাজোৰ আন এগৰাকী ৰাজহ চক্ৰ বিষয়া কৃষ্ণ কিশোৰ চহৰীয়া, ছিলা ৰেঞ্জৰ ৰেঞ্জ অফিচাৰ সিদ্ধাৰ্থ পেগু আৰু সকলো বিট অফিচাৰ, উত্তৰ হাজো ৰেঞ্জৰ ৰেঞ্জ অফিচাৰ প্ৰাঞ্জল বৰ্মন আৰু সকলো বিট অফিচাৰ, এনফৰ্চমেণ্ট ইন্সপেক্টৰ আলতাফ হুছেইন, হাজো, শুৱালকুচি আৰক্ষী থানা আৰু দদৰা আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া সকলক লৈ এই টাস্ক ফ'ৰ্চ গঠন কৰা হৈছিল। এই টাস্ক ফ'ৰ্চৰ কাম-কাজ নিৰীক্ষণ কৰিবলৈ অতিৰিক্ত জিলা দণ্ডাধীশ কমল বৰুৱাৰ নেতৃত্বত উত্তৰ কামৰূপ সংমণ্ডল, ৰঙিয়াৰ বন সংমণ্ডল বিষয়া ছানিদেও ইন্দ্ৰজিৎ চৌধুৰী, অতিৰিক্ত আৰক্ষী অধীক্ষক কল্যাণ পাঠক, জিলা পৰিবহণ বিষয়া মনোজ কুমাৰ চৌধুৰী, সহকাৰী আয়ুক্ত কৃষ্ণেশা বৰা আৰু কংকনা শৰ্মাক দায়িত্ব দিয়া হৈছিল যদিও হাজোৰ লখাইতৰা নৈত দিনে-নিশাই অব্যাহত আছে অবাধ বালি খনন। জেচিবি, ডাম্পাৰ, ট্ৰেক্টৰৰ সহায়ত অহৰ্নিশে অবাধ বালি খনন কৰা কাৰ্যই প্ৰশাসনৰ ফোঁপোলা স্বৰূপ উদঙাইছে।



নৰ্থ ইষ্ট পেৰা স্প'ৰ্টছ মীটৰ সামৰণী অনুষ্ঠানত সতীৰ্থ আৰু পুত্ৰৰ সৈতে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা

# সাংবাদিকৰ জীৱন বীমা আঁচনি ৰূপায়নত সঁহাৰি মুখ্যমন্ত্ৰীৰ, আপ্‌কুৰ স্মাৰক পত্ৰ প্ৰদান

**ই-সংবাদ, নগৰবেৰা, ২৯ নবেম্বৰঃ** অসম চৰকাৰৰ স্বীকৃতিপ্ৰাপ্ত সাংবাদিকসকলৰ জীৱন বীমা আঁচনি ৰূপায়নত শেহতীয়াকৈ অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ইতিবাচক সঁহাৰি জনাইছে। উল্লেখ্য যে পূৰ্বৰ কংগ্ৰেছ চৰকাৰৰ বিত্ত মন্ত্ৰী হৈ থকা সময়চোৱাত ৰাজ্যখনৰ চৰকাৰী চাকৰিবিহিনীন সাংবাদিকসলৰ জীৱন আৰু আৰ্থিক নিৰাপত্তাৰ কথা অনুভৱ কৰি বৰ্তমানৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যিক বাজেটৰ ভাষণত প্ৰতিবছৰে এককালীন সাহাৰ্য প্ৰদান কৰা আৰু জীৱন বীমা আঁচনিৰ অধীনত অন্তৰ্ভুক্ত কৰাৰ কথা সদৰি কৰিছিল। শেহতীয়াকৈ কালি অসমৰ চৰকাৰী চাকৰিবিহীন সাংবাদিকসলৰ একমাত্ৰ সংগ্ৰামী মঞ্চ তথা অসম চৰকাৰৰ শ্ৰম আয়ুক্তালয়ৰ পঞ্জীয়নভূক্ত সাংবাদিক সংগঠন 'আসাম প্ৰেছ ক'ৰেছপণ্ডেন্টছ্ ইউনিয়ন' চমুকৈ 'আপ্‌কু'ৰ এটি প্ৰতিনিধি দলে এই বিষয়টো পুনৰবাৰ মুখ্যমন্ত্ৰীগৰাকীক এক স্মাৰক পত্ৰযোগে দৃষ্টিগোচৰ কৰোৱাত তেখেতে ইতিবাচক সঁহাৰি প্ৰদান কৰাৰ লগতে সমগ্ৰ বিষয়টো ভালদৰে অধ্যয়ন কৰি শীঘ্ৰেই যাৱতীয় ব্যৱস্থা গ্ৰহণৰ ইংগিত প্ৰদান কৰে। আপ্‌কুৰ সম্পাদক প্ৰধান শৰৎ শেনছোৱাই আজি সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা এক প্ৰেছ বাৰ্তাত উল্লেখ কৰা মতে কালি নিশা সংগঠনটোৰ সভাপতি স্বপন কুমাৰ ৰাভা, কাৰ্যকৰী সভাপতি মৌচমজ্যোতি বৈশ্য, উপ-সভাপতি ৰতন কলিতা, সম্পাদক প্ৰধান আৰু কামৰূপ জিলা সমিতিৰ সম্পাদক নীৰেন চন্দ্ৰ মালীয়ে মুখ্যমন্ত্ৰীগৰাকীক দিশপুৰ জনতা ভৱনস্থিত কাৰ্যালয়ত সৌজন্যমূলক সাক্ষাৎ কৰে। আৰম্ভণিতে ৰাজ্যখনৰ বিগত বিধানসভা নিৰ্বাচনত ঐতিহ্যমণ্ডিত জালুকবাৰী সমষ্টিৰ পৰা প্ৰতিনিধিত্ব কৰি অসমৰ পঞ্চদশগৰাকী মুখ্যমন্ত্ৰী হিচাপে অসম মাতৃক সেৱা আগবঢ়াবলৈ সুযোগ লাভ কৰা কৰ্মযোগী ড০ শৰ্মাক আপকুৰ তৰফৰ পৰা ফুলাম গামোচা, স্মাৰক, অভিনন্দন পত্ৰ আৰু সংঠনটোৱে প্ৰকাশ কৰি উলিওৱা দুখন স্মাৰক গ্ৰন্থৰে উষ্ম সম্ভাষণ জনোৱা হয়। সাক্ষাৎকালত অসমৰ মুখ্যমন্ত্ৰীগৰাকীক ৰাজ্যখনৰ চৰকাৰী চাকৰিবিহীন মফচলীয় সাংবাদিকসকলৰ ভালেকেইটা গুৰুত্বপূৰ্ণ সমস্যা সম্বলিত এক স্মাৰক পত্ৰও প্ৰদান কৰা হয়। স্মাৰক পত্ৰত উল্লেখ কৰা অনুসৰি গুৱাহাটীৰ মহানগৰৰ আশে-পাশে 'আপ্‌কু'ৰ এটা স্থায়ী কেন্দ্ৰীয় কাৰ্যালয় নিৰ্মাণৰ বাবে অতি কমেও ৩ কঠা চৰকাৰী ভূমি আবণ্টন দিয়াৰ লগতে সংগঠনটোৰ কাৰ্যলয় নিৰ্মাণৰ বাবে ৰাজ্যচৰকাৰৰ তৰফৰ পৰা প্ৰয়োজনীয় পুঁজি মোকলাই দিয়া, অসমৰ বি.টি.আৰ. প্ৰশাসনৰ দৰে অসম চৰকাৰেও ৰাজ্যখনৰ চৰকাৰী স্বীকৃতিপ্ৰাপ্ত সংবাদকৰ্মীসকলৰ জীৱন আৰু আৰ্থিক নিৰাপত্তা সুনিশ্চিত হোৱাকৈ 'সাংবাদিকৰ জীৱন বীমা' [JOURNALIST LIFE INSURENCE] আঁচনি প্ৰৱৰ্তন কৰা, আগন্তুক ২০২৫ বৰ্ষৰ ফেব্ৰুৱাৰী মাহত অনুষ্ঠিত হ'ব লগা অসম বিধান সভাৰ বাজেট অধিৰেশনত দাখিল কৰিবলগীয়া ২০২৫-২৬বৰ্ষৰ বিত্তীয় বাজেটত'মফচলীয় সাংবাদিকৰ এককালীন সাহাৰ্য' আৰু 'সাংবাদিকৰ জীৱন বীমা আঁচনি'ৰ বাবে প্ৰয়োজনীয় ধন ধাৰ্য কৰা, অৱসৰী সাংবাদিকৰ পেঞ্চনৰ ধন মাহিলী ৮ হেজাৰ টকাৰ পৰিৱৰ্তে ২০ হেজাৰ টকালৈ বৃদ্ধি কৰা, প্ৰতিবছৰে ৰাজ্যখনৰ অতি কমেও মাত্ৰ ৪০ [চল্লিশ] গৰাকী সাংবাদিকক পেঞ্চন দিয়াৰ ব্যৱস্থা কৰা, চৰকাৰী স্বীকৃতিপ্ৰাপ্ত সংবাদিক অথবা সংশিষ্ট সংবাদিকগৰাকীৰ পৰিয়ালৰ কোনো লোকৰ গুৰুতৰ অসুখ নাইবা দুৰ্ঘটনাজনিত কাৰণত চিকিৎসালয়ত চিকিৎসা গ্ৰহণৰ নামত ব্যয় হোৱা সম্পূৰ্ণ ধন মোকলাই দিয়া, চৰকাৰী স্বীকৃতিপ্ৰাপ্ত সংবাদকৰ্মীসকলৰ লগতে তেওঁলোকৰ পৰিয়ালৰ সকলো সদস্যৰ চিকিৎসাৰ ক্ষেত্ৰত সহায়ত হোৱাকৈ ' আয়ুষ্মান কাৰ্ড' প্ৰদানৰ ব্যৱস্থা কৰা আৰু এই কাৰ্ডৰ সহায়ত চৰকাৰী, বেচৰকাৰী খণ্ডৰ সংশ্লিষ্ট চিকিৎসালয়সমূহত সকলো ৰোগৰ চিকিৎসা কৰাৰ সুবিধা প্ৰদানৰ ব্যৱস্থা কৰা, অসমৰ সংবাদকৰ্মীসকলক উপযুক্ত যোগ্যতাৰ ভিত্তিত মিডিয়া ফেলশ্বিপ প্ৰদানৰ ব্যৱস্থা পুনৰ প্ৰৱৰ্তন কৰা, পূৰ্বৰ চৰকাৰে ৰূপায়ন কৰা চৰকাৰী স্বীকৃতিপ্ৰাপ্ত গ্ৰাম্য সাংবাদিকৰ চুবুৰীয়া ৰাজ্য ভ্ৰমণ আঁচনিখন পুনৰ প্ৰৱৰ্তন কৰা, বিগত বহু বছৰ ধৰি অসংশোধিত ৰূপত চলি থকা অসম চৰকাৰ তথা অসম চৰকাৰৰ তথ্য আৰু জনসংযোগ বিভাগৰ বিজ্ঞাপনৰ নিৰিখ পুনৰ সংশোধন কৰাৰ লগতে সংশ্লিষ্ট সংবাদ প্ৰতিষ্ঠানসমূহে তথ্য আৰু জনসংযোগ বিভাগৰ পৰা বিজ্ঞাপনৰ বাবদ যি অনাদায় ধন পাব লগা আছে সেই, সেই ধন অনতি বিলম্বে মোকলাই দিয়াকে আদি কৰি আন কেইবাটাও গুৰুত্বপূৰ্ণ দাবীৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীক যাৱতীয় ব্যৱস্থা গ্ৰহণৰ বাবে আপ্‌কুৰ প্ৰতিনিধি দলটোৱে আহ্বান জনায়। আনহাতে আপকুৰ প্ৰতিনিধি দলটোৰ অনুৰোধৰ প্ৰতি সঁহাৰি জনাই বিগত কেইমাহমানৰ পৰা শাৰিৰীক ভাৱে অসুস্থ হৈ থকা আপকুৰ মুখ্য উপদেষ্টা তথা আমাৰ অসম কাকতৰ মঙ্গলদৈৰ প্ৰতিনিধি ম: আব্দুল খালেককৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই মুখ্যমন্ত্ৰী সাহায্য পুঁজিৰ পৰা ২৫ হেজাৰ টকাৰ চেক আগবঢ়োৱাৰ লগতে সাংবাদিক গৰাকীৰ দ্ৰুত আৰোগ্য কামনা কৰে।

# দৰঙত কেন্সাৰ সজাগতা সভা সম্পন্ন

ই-সংবাদ, দুমুনিচকী, ২৯ নৱেম্বৰঃ গ্ৰামীণ স্ব-নিয়োজন প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ উদ্যোগত আৰু দৰং কেন্সাৰ কেন্দ্ৰৰ সহযোগত দৰঙত এখন কেন্সাৰ সজাগতা সভা অনুষ্ঠিত হয়। অৰ্ধশতাধিক মহিলা প্ৰশিক্ষাৰ্থী(বিত্তীয় সাক্ষৰতা-চিআৰপি) উপস্থিত থকা সভাখনত মুখ্য অতিথি হিচাপে উপস্থিত থাকে জিলা অগ্ৰণী বেংক বিষয়া কিশোৰী ৰাম, দৰং কেন্সাৰ কেন্দ্ৰৰ চিকিৎসা অধীক্ষক ডাঃ (কৰ্ণেল)চৈয়দ ইফটিকাৰ শোভানি আৰু আৰছেটি দৰঙৰ সঞ্চালক বিজয় শৰ্মা। আৰছেটি দৰঙৰ জ্যেষ্ঠ প্ৰশিক্ষক কিশোৰ কুমাৰ শৰ্মাই আতঁ ধৰা সভাখনত দৰং কেন্সাৰ কেন্দ্ৰৰ অধীক্ষক ডাঃ (কৰ্ণেল)চৈয়দ ইফটিকাৰ শোভানিয়ে দৰং কেন্সাৰ কেন্দ্ৰৰ কাৰ্যপদ্ধতি, কেন্সাৰ ৰোগৰ পৰীক্ষণ আৰু উপযুক্ত সময়ত চিকিৎসা গ্ৰহণৰ বাবে আগবাঢ়িবলৈ সজাগতা বৃদ্ধিৰ বাবে সকলোকে আহ্বান জনায়। আৰছেটিৰ সঞ্চালক বিজয় শৰ্মাই দৰঙৰ কেন্সাৰ কেন্দ্ৰৰ সজাগতা বৃদ্ধিৰ পদক্ষেপৰ শলাগ লৈ প্ৰশিক্ষাৰ্থীসকলে উক্ত বাৰ্তা নিজ নিজ কৰ্মক্ষেত্ৰত প্ৰসাৰ কৰিব বুলি আশা প্ৰকাশ কৰে। কেন্সাৰ ৰোগৰ কাৰণ, চিকিৎসা পদ্ধতি আৰু প্ৰশিক্ষাৰ্থীসকলৰ সজাগতা বৃদ্ধিৰ বাবে চিকিৎসক ডাঃ ছাহিদুল ইছলাম আৰু নাৰ্ছিং বিষয়া চবনম নাৰ্গিছ হুছেইনে সবিশেষ উপস্থাপন কৰে। ৰোগী সমন্বয়ক নিৰঞ্জন শইকীয়াই দৰং কেন্সাৰ কেন্দ্ৰৰ ৰোগীৰ সহায়ক হোৱাকৈ উপলব্ধ চিকিৎসা আন্তগাঁথনি সন্দৰ্ভত বক্তব্য ৰাখে। উল্লেখ্য যে সজাগতা সভাৰ লগতে উপস্থিত প্ৰশিক্ষাৰ্থী আৰু অন্যান্যসকলৰ বাবে বিনামূলীয়া কেন্সাৰ স্ক্ৰিনিং আৰু প্ৰাথমিক চিকিৎসা সেৱা চিকিৎসা কৰ্মীসকলে আগবঢ়ায়। অনুষ্ঠানত অগ্ৰণী বেংক কাৰ্যালয়ৰ প্ৰবন্ধক সুজিত কুমাৰ, দৰং কেন্সাৰ কেন্দ্ৰৰ জিলা সমন্বয়ক দিপমণি শৰ্মা, নাৰ্ছ জেচমিন আৰা বেগম, নয়না শৰ্মাৰ লগতে আৰছেটি দৰং আৰু দৰং কেন্সাৰ কেন্দ্ৰৰ কৰ্মচাৰী বৃন্দ উপস্থিত থাকে।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

## বিক্ৰীৰ শীৰ্ষত তিনিখন উপন্যাস, ৰতন টাটাৰ জীৱনী গ্ৰন্থক লৈ পঢ়ুৱৈৰ মাজত ব্যাপক উৎসাহ

# অভিলেখ! নলবাৰী ৰাসৰ গ্ৰন্থমেলাত ২৫ লাখৰ কিতাপ বিক্ৰী

**ই-সংবাদ, নলবাৰী, ২৯ নৱেম্বৰঃ** তৰুণ ঔপন্যাসিকৰ উপন্যাসৰ সৰ্বাধিক চাহিদাৰে কিতাপ বিক্ৰীৰ অভিলেখ গঢ়ি অন্ত পৰিছে 'অসম গ্ৰন্থমেলাঃ নলবাৰী'ৰ। নলবাৰীৰ হৰি মন্দিৰৰ ঐতিহাসিক ৰাস মহোৎসৱ উপলক্ষে আয়োজিত গ্ৰন্থমেলাত এইবেলি তৰুণ লেখকৰ গ্ৰন্থই পঢ়ুৱৈৰ সমাদৰ লাভ কৰা পৰিলক্ষিত হয়। গ্ৰন্থমেলাৰ আৰম্ভণিতে পুৰণি জনপ্ৰিয় গ্ৰন্থৰ চাহিদা অধিক আছিল যদিও পিছলৈ যুৱ ঔপন্যাসিকৰ উপন্যাসৰ সমাদৰ বৃদ্ধি পায়। বনলতা, ৰেখা, আংগিক, অসম প্ৰকাশন পৰিষদ, পাল্লিকেচন আৰু, ডেউকা আদিকে ধৰি গ্ৰন্থমেলাত অংশগ্ৰহণ কৰা বিভিন্ন গ্ৰন্থ বিপণীৰ পৰা প্ৰাপ্ত খবৰ অনুসৰি এইবেলিৰ নলবাৰীৰ গ্ৰন্থমেলাত দুগৰাকী তৰুণকে ধৰি তিনিগৰাকী ঔপন্যাসিকৰ তিনিখন নতুন উপন্যাস সৰ্বাধিক বিক্ৰী হয়। এইক্ষেত্ৰত 'বনলতা'ই প্ৰকাশ কৰা নীলিম আকাশ কাশ্যপৰ নতুন উপন্যাস 'ৰ'দৰ খিৰিকী বৰষুণৰ গান' শীৰ্ষত থকা বুলি জানিব পৰা গৈছে। উপন্যাসখনত সংগীতজ্ঞ ৰমেন বৰুৱাৰ নিৰুদ্দেশৰ আঁৰৰ বহু অকথিত প্ৰসংগই স্থান পোৱা বুলি পঢ়ুৱৈৰ মাজত বহুলভাৱে চৰ্চা হৈছে। আনহাতে, উপন্যাসৰ জগতত নতুনকৈ খোজ পেলোৱা ৰঞ্জিত পাটগিৰিৰ 'জেওৰা' উপন্যাসখনো নলবাৰী গ্ৰন্থমেলাত বিক্ৰীৰ শীৰ্ষত থকা আন এখন উপন্যাস। গ্ৰাম্য পটভূমিত অতীত আৰু বৰ্তমানৰ প্ৰেক্ষাপটত ৰচিত উপন্যাসখন ৰেখাই প্ৰকাশ কৰিছে। 'ৰ'দৰ খিৰিকী বৰষুণৰ গান' আৰু 'জেওৰা'ৰ উপৰি প্ৰবীণ সাংবাদিক পুলিন কলিতা ৰচিত 'ঐছন জনম গোৱাই' উপন্যাসখনো নলবাৰী গ্ৰন্থমেলাৰ আন এখন সৰ্বাধিক বিক্ৰী হোৱা উপন্যাস। বনলতাই প্ৰকাশ কৰা উপন্যাসখন নৃত্যাচাৰ্য যতীন গোস্বামীৰ জীৱনৰ আধাৰত ৰচিত। তদুপৰি তৰুণ সুন্দৰ চাংমাৰ 'আৰবেলা', তেজসা কলিতাৰ 'অভিকাংক্ষা', অংকিতা বৰুৱাৰ 'অয়নবৃণা', পৰিস্মিতা বৰদলৈৰ 'জীৱন মহাৰ্ঘ', ইন্দ্ৰানী শৰ্মা পাঠকৰ 'মান্যতা', মাণিক পালৰ 'অৰুণিমাৰ বুকুৰে শিপায়ে', বিদিশা দত্ত অনূদিত 'বেঙাভাইৰ ৰঙালাউ', নীলিম আকাশ কাশ্যপৰ 'সোণৰ খাৰু কলিজাৰ ছাঁ', ৰাগিনী পূবালী বৰা অনূদিত 'টুৱেলভখ ফেইল' আদি তৰুণ লেখকৰ গ্ৰন্থয়ো পঢ়ুৱৈৰ সঁহাৰি লাভ কৰিছে। জীৱনী আৰু শিশু গ্ৰন্থৰো চাহিদা যথেষ্ট আছিল। 'বুঢ়ী আইৰ সাধু'কে ধৰি বিভিন্ন সাধুকথাৰ কিতাপৰ উপৰি জীৱনীৰ ক্ষেত্ৰত খনীন্দ্ৰ কুমাৰ ডেকাৰ 'ৰতন টাটা'ৰ বিক্ৰী আশাপ্ৰদ আছিল বুলি জানিব পৰা গৈছে। ৰাস উদযাপন সমিতিৰ তৰফৰ পৰা পংকজ বৰ্মনে জানিবলৈ দিয়া মতে নলবাৰীৰ ৰাসত আয়োজিত গ্ৰন্থমেলাত ২৫ লাখ টকাৰ কিতাপ বিক্ৰী হৈছে।

# সৰুপথাৰত নেপালী সাহিত্য সভাৰ সোণালী জয়ন্তী

**ই-সংবাদ, সৰুপথাৰ, ২৯ নৱেম্বৰঃ** গোলাঘাট জিলাৰ সৰুপথাৰত অহা ৬ৰ পৰা ৯ ডিচেম্বৰলৈ চাৰিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অসম নেপালী সাহিত্য সভাৰ ত্ৰি-বাৰ্ষিক মহাধিৱেশন তথা সোণালী জয়ন্তী সমাপন সমাৰোহ অনুষ্ঠিত হ'ব। অসম নেপালী সাহিত্য সভাৰ গোলাঘাট জিলা সমিতিৰ আতিথ্যত লগতে বোকাখাত আৰু কাৰ্বিআংলং জিলা সমিতিৰ সহযোগত সৰুপথাৰ শিৱাজী ৰাই সমন্বয় ক্ষেত্ৰত অনুষ্ঠিত কৰিবলৈ লোৱা সোণালী জয়ন্তী সমাপন সমাৰোহ সফলভাৱে উদযাপন কৰিবলৈ তিলক শৰ্মাক সভাপতি, দিল বাহাদুৰ লিম্বুক কাৰ্যকৰী সভাপতি আৰু ৰাজু শ্ৰেষ্ঠক মুখ্য সম্পাদক হিচাপে লৈ ইতিমধ্যে গঠিত শক্তিশালী উদযাপন সমিতিখনৰ বিষয়ববীয়াসকলে পূৰ্ণ গতিত প্ৰস্তুতি চলোৱা পৰিলক্ষিত হৈছে। সোণালী জয়ন্তী সমাৰোহৰ প্ৰথম দিনা কাৰ্যালয় উদ্বোধন, প্ৰতিনিধি পঞ্জীয়ন, প্ৰতিনিধি শিবিৰ উদ্বোধন আৰু অসম নেপালী সাহিত্য সভাৰ অন্তিমখন কাৰ্যকৰী সভা অনুষ্ঠিত হ'ব। দ্বিতীয় দিনা স্বচ্ছতা অভিযান, মূল তোৰণ উদ্বোধন, পতাকা উত্তোলন, স্মৃতি তৰ্পণ, বৃক্ষৰোপণ, স্বৰ্ণ জয়ন্তী স্মাৰক উন্মোচন, ব্যৱসায়ী বিপণী আৰু গ্ৰন্থ বিপণী উদ্বোধন, প্ৰথম প্ৰতিনিধি সভা, গোৰ্খা ঐতিহ্য তাৰেঘৰ উদ্বোধন, আন্তঃৰাষ্ট্ৰীয় আলোচনা চক্ৰ আৰু সন্ধ্যা আন্তঃৰাষ্ট্ৰীয় কবি সন্মিলন অনুষ্ঠিত হ'ব। তৃতীয় দিনা ৰাষ্ট্ৰীয় যুৱ সাহিত্যকাৰ সন্মিলন, প্ৰতিনিধি সভাৰ দ্বিতীয় সত্ৰ আৰু দুপৰীয়া প্ৰথম মুকলি সভা অনুষ্ঠিত হ'ব। শেষৰ দিনা পুৱাৰ ভাগত স্বচ্ছতা অভিযানৰ পিছতে বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা, মূল মঞ্চ উদ্বোধন আৰু মুকলি সভা অনুষ্ঠিত হ'ব। মুকলি সভাত অসমৰ মুখ্যমন্ত্ৰী ডাঃ হিমন্ত বিশ্ব শৰ্মা আৰু ছিকিমৰ মুখ্যমন্ত্ৰী প্ৰেম সিং তামাংসহ কেইবাগৰাকী সাংসদ, মন্ত্ৰী বিধায়কে অংশগ্ৰহণ কৰিব।

# মৈৰাবাৰীত বিশেষ চিন্তন বৈঠক সম্পন্ন

**ই-সংবাদ, মৈৰাবাৰী, ২৯ নৱেম্বৰঃ** সামাজিক সেৱা ছ'চাইটীৰ উদ্যোগত ষ্টুডেন্ট কেডেট কৰ্পছ (এছ চি চি) অসম, আন্তঃৰাষ্ট্ৰীয় মানৱ অধিকাৰ আৰু অপৰাধ নিয়ন্ত্ৰণ পৰিষদ, মৈৰাবাৰী অঞ্চলৰ বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ আহ্বানত অসামাজিক কাৰ্য-কলাপ ৰোধৰ উপায় বিচাৰি সামাজিক সচেতন ব্যক্তি, বিশিষ্ট শিক্ষাবিদ, বিশিষ্ট বুদ্ধিজীৱী আৰু যুৱ সমাজৰ সৈতে বৃহস্পতিবাৰে মৈৰাবাৰী প্ৰেছ ক্লাবৰ সভাকক্ষত বিয়লিৰ ভাগত চিন্তন বৈঠক অনুষ্ঠিত হয়। অৱসৰপ্ৰাপ্ত শিক্ষক তথা বিশিষ্ট সমাজ সেৱক কমৰুল ইছলামৰ সঞ্চালনাত অনুষ্ঠিত চিন্তন বৈঠকৰ উদ্দেশ্য ব্যাখ্যা কৰে এছ চি চি, অসমৰ ৰাজ্যিক সভাপতি ছাব্বিৰ হুছেইনে। ড্ৰাগছ, চাইবাৰ অপৰাধ, বাল্য-বিবাহ, নাৰী নিৰ্যাতন, মানৱ সৰবৰাহ আৰু মৈৰাবাৰী বজাৰৰ স্বচ্ছতা আদি গুৰুত্বপূৰ্ণ বিষয়সমূহক লৈ অনুষ্ঠিত চিন্তন বৈঠকত অংশগ্ৰহণ কৰি ক্ৰমে মৈৰাবাৰী আৰক্ষী নিৰেশৰ পৰিদৰ্শক পংকজ দাস, মৰিগাঁও জিলা ৰাৰিঅ'ৰ্ছৰ উপদেষ্টা মিছিৰা বেগম, মৰিগাঁও জিলাৰ অপৰাধ শাখাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক সমীৰণ বৈশ্য, মৈৰাবাৰী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক দীনেশ চন্দ্ৰ নাথ, মৈৰাবাৰী মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ ৰিয়াজুল হক, বৰথল দলৈগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ আব্দুল কুদ্দুছ, বিশিষ্ট শিক্ষাবিদ তথা সমাজ সেৱক ৰহম আলী আৰু আব্দুল গফুৰে সমাজ সংস্কাৰৰ উদ্দেশ্যে মূল্যৱান দিশা-পৰামৰ্শ আগবঢ়ায়। লগতে চিন্তন বৈঠকত মৈৰাবাৰী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক ডঃ আব্দুল মান্নান আহমেদ, ইংৰাজী বিভাগৰ অধ্যাপক ডঃ ময়িদুল ইছলাম আৰু ছাদিকুল ইছলাম, শিক্ষা বিভাগৰ অধ্যাপক ৰফিকুল ইছলাম, ৰাজনীতি বিভাগৰ অধ্যাপক বাহাৰুল ইছলাম হাজৰিকা, মৰিগাঁও জিলা সমাজ সংস্কাৰ সমিতিৰ সাধাৰণ সম্পাদক ৰফিকুল হুছেইনসহ বহু ব্যক্তিয়ে অংশগ্ৰহণ কৰি অসামাজিক কাৰ্য-কলাপ ৰোধৰ উপায় বিচৰা কাৰ্যত মত প্ৰকাশেৰে সহযোগ কৰে।

# ওদালগুৰি প্ৰীমিয়াৰ লীগ ইউনাইটেড য়ুথ ক্লাৱ জয়ী

**ই-সংবাদ, ওদালগুৰি, ২৯ নৱেম্বৰঃ** ওদালগুৰি ইউপিএল খেল পৰিচালনা সমিতিৰ উদ্যোগত দ্বিতীয় সংস্কৰণৰ এম.এম কনষ্ট্ৰাকছন ওদালগুৰি প্ৰীমিয়াৰ লীগ ২০২৪ৰ আজিৰ এখন ৰোমাঞ্চকৰ খেলত ইউনাইটেড ইয়ুথ ক্লাৱে পূবনগৰ মেধীপাৰা য়ুথ ক্লাৱক ১ উইকেটতত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে। টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্তৰে পূবনগৰে নিৰ্দ্ধাৰিত ২০ অভাৰত ৯ টা উইকেট হেৰুৱাই ১৩২ ৰাণ সংগ্ৰহ কৰে। ইউনাইটেডৰ সঞ্জীৱ বৰ্মণে ৫ টা উইকেট দখল কৰে। ইয়াৰ প্ৰত্যুত্তৰত বেট ধৰি ইউনাইটেডে ১৯.৫ অভাৰত নটা উইকেট পটনেৰে জয়ৰ লক্ষত উপনীত হয়। ইউনাইটেডৰ হিমজ্যোতি শৰ্মাই ৪১ ৰাণৰ বৰঙণি আগবঢ়ায়। আজিৰ জয়ৰে ইউনাইটেডে প্ৰতিযোগিতাখনিৰ ফাইনেলত প্ৰৱেশ কৰে। এতিয়া অহা ১ ডিচেম্বৰত ইউপিএলৰ ফাইনেল খেলখনত ইউনাইটেড য়ুথ ক্লাৱে খিতাপৰ যুঁজত থাণ্ডাৰ ষ্ট্ৰাইকাৰৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

## ৰাইডঙীয়াৰ সৰ্বৰহী ব্যক্তি প্ৰণৱ হাজৰিকাৰ মৃত্যু, দল-সংগঠনৰ শোক

**ই-সংবাদ, ২৯ নৱেম্বৰঃ** নগাঁও জিলাৰ ৰাইডঙীয়াৰ অঞ্চলৰ এগৰাকী সমাজকৰ্মীৰ অকাল মৃত্যুত সমগ্ৰ এলেকাটোত শোকৰ ছাঁ পৰিছে। প্ৰণৱ হাজৰিকা ওৰফে বাছুৰ অকালতে মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৪৬ বছৰ। দীৰ্ঘদিনে অসুস্থ হৈ থকা প্ৰণৱ হাজৰিকাই চিকিৎসা কৰি গৈছিল যদিও ২৮ নৱেম্বৰত নিজ ঘৰতে ইহলীলা সম্বৰণ কৰে। ৰাইডঙীয়া অঞ্চলৰ বিভিন্ন সামাজিক কাম-কাজ, সামাজিক অনুষ্ঠানৰ সৈতে জড়িত হৈ আছিল হাজৰিকা। ইহসংসাৰত পত্নী, দুগৰাকী কন্যাক এৰি থৈ যায়। তেওঁৰ মৃত্যুত অনুসূচিত জাতি সংগ্ৰামী যুৱ পৰিষদৰ সভাপতি সঞ্জীৱ দাসে গভীৰ শোক প্ৰকাশ কৰিছে। জাতীয়তাবাদী তথা জাতিৰ প্ৰতি সদা জাগ্ৰত প্ৰণৱ হাজৰিকাৰ মৃত্যু এক অপূৰণীয় ক্ষতি বুলি কৈ সঞ্জীৱ দাসে পৰিয়ালক গভীৰ সমবেদনা জ্ঞাপন কৰি আত্মাৰ সদ্গতি কামনা কৰে। ৰাইডঙীয়া অঞ্চলৰ বিভিন্ন দল-সংগঠন তথা ব্যক্তিবিশেষে গভীৰ শোক প্ৰকাশ কৰি হাজৰিকাৰ আত্মাৰ সদ্গতি কামনা কৰে।



দক্ষিণ আফ্ৰিকা আৰু শ্ৰীলংকাৰ মাজত অনুষ্ঠিত টেষ্টৰ এটি মুহূৰ্ত. ডাৰবানত শনিবাৰে

## নগাঁৱত ৭৬ সংখ্যক স্বাধীনতা দিৱস কাপ ফুটবল

# টিউলিপক হৰুৱাই কোৱাৰ্টাৰত ষ্টাৰ স্প'ৰ্টিং ক্লাব

**ই-সংবাদ ক্ৰীড়া সেৱা নগাঁও, ২৯ নৱেম্বৰঃ** নগাঁও ক্ৰীড়া সংস্থাৰ উদ্যোগত নুৰুল আমিন ষ্টেডিয়ামত পূৰ্ণগতিত চলি থকা ৭৬ সংখ্যক সৰ্বভাৰতীয় স্বাধীনতা দিৱস কাপ প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাত নগাঁৰৰ প্ৰথম ডিভিজন ফুটবল লীগৰ ৰাণাৰ আপ ষ্টাৰ স্প'ৰ্টিং ক্লাবে কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। নগাঁও ক্ৰীড়া সংস্থাৰ উদ্যোগত আয়োজিত আমন্ত্ৰণমূলক ঐতিহ্যমণ্ডিত এই প্ৰতিযোগিতাৰ আজিৰ খেলত ষ্টাৰ স্প'ৰ্টিং ক্লাবে লখিমপুৰৰ টিউলীপ স্প'ৰ্টছ একাডেমীক ৪-০ গ'লত বিধ্বস্ত কৰে। খেলখনত ষ্টাৰ স্প'ৰ্টিং ক্লাবৰহৈ দীপাংকৰ কোঁৱৰ (৭ আৰু ৫০ মিনিট) আৰু বিভানজ্যোতি লস্কৰে (৭৬ আৰু ৯০ মিনিট) দুটাকৈ গ'ল দিয়ে। আজিৰ খেলখনত ষ্টাৰ স্প'ৰ্টিং ক্লাবৰ খেলুৱৈসকলে নগএগ্ৰা ক্ৰীড়াপ্ৰেমীৰ সমৰ্থনৰে সংঘবদ্ধভাৱে খেলি উন্নত প্ৰদৰ্শন দাঙি ধৰিবলৈ সক্ষম হয়। বিশেষকৈ উদীয়মান খেলুৱৈ বিভানজ্যোতি লস্কৰৰ দৃষ্টিনন্দন প্ৰদৰ্শনে দৰ্শকক মোহিত কৰে। প্ৰাক্তন ৰাষ্ট্ৰীয় ৰেফাৰী নাচিৰউদ্দিন আহমেদ মেচ কমিচনাৰৰূপে থকা খেলখন পৰিচালনা কৰাত ৰেফাৰী আব্দুল মজিদ চৌধুৰীক সহায় কৰে ঘনশ্যাম দাস, অপূৰ্ব বৰা আৰু পৰাগমণি বৰদলৈ (চতুৰ্থ) য়ে। নগাঁও ক্ৰীড়া সংস্থাৰ সাধাৰণ সম্পাদক তপন কুমাৰ দাসৰ লগতে প্ৰেছ এণ্ড পাব্লিচিটী উপসমিতিৰ আহ্বায়কদ্বয় মৃনাল কুমাৰ হাজৰিকা আৰু সমীৰ হাজৰিকাই জনোৱামতে, কাইলৈৰ খেলত অসম পুলিচ দলে বঙাইগাঁৱৰ ইলেভেন ষ্টাৰ ক্লাবৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব।

# কটহগুৰি এফচিৰ ফাইনেলত প্ৰৱেশ

**ই-সংবাদ ক্ৰীড়া সেৱা, নগাঁও, ২৯ নৱেম্বৰঃ** নগাঁৰৰ বহাৰ কটহগুৰি এফ চি দল কাৰ্বি আংলং জিলাৰ লাংহিনৰ গৰৈমাৰী খেলপথাৰত বড়ো শ্বহীদ ন্যাসৰ উদ্যোগত আৰু লাংহিন তিনিআলি ক্ৰীড়া সন্থাৰ ব্যৱস্থাপনাত চলি থকা ২৭ সংখ্যক বড়ো শ্বহীদ কাপ ফুটবল প্ৰতিযোগিতাৰ ফাইনেলত উপনীত হৈছে। সদৌ অসম ভিত্তিত আয়োজিত আমন্ত্ৰণমূলক এই প্ৰতিযোগিতাৰ শুক্ৰবাৰে প্ৰথমখন ছেমিফাইনেলত কটহগুৰি এফ চিয়ে উন্নত প্ৰদৰ্শনৰে পশ্চিম কাৰ্বি আংলঙৰ খেৰনীৰ ফেলকন এফ চি ২-১ গ'লত পৰাজিত কৰে। তুমুল প্ৰতিদ্বন্দ্বিতামূলক খেলখনত কটহগুৰি এফ চিৰহৈ আৰিফ আৰু ৰূপজ্যোতি বৰাই ক্ৰমে গ'ল দুটা দিয়াৰ বিপৰীতে ফেলকন এফ চিৰহৈ চংজা টেৰণে একমাত্ৰ গ'লটো দিয়ে। বিৰতিৰ আগতেই গ'লকেইটা হোৱা খেলখনত কটহগুৰি এফ চিৰহৈ প্ৰথমটো গ'ল আৰিফে একক প্ৰচেষ্টাৰে দিয়াৰ বিপৰীতে দ্বিতীয়টো গ'ল ৰূপজ্যোতি বৰাই সতীৰ্থ জিৰজাৰ টেৰাঙে বিপক্ষৰ বক্সত উলিয়াই দিয়া বলৰ সহায়ত দিবলৈ সক্ষম হয়। আনহাতে, ফেলকন এফ চিৰহৈ চনজা টেৰণে সতীৰ্থ মালংকিৰি টিচ'য়ে মিড ফিল্ডৰ পৰা দীঘলীয়া শ্বট্ৰে বিপক্ষৰ বক্সত উলিয়াই দিয়া বল ক্ষিপ্ৰতাৰে আয়ত্তলৈ আনি গ'ললৈ কাৰ্যকৰী কৰিছিল। বিৰতিৰ পিছতে দুয়োটা দলেই গ'ল দিয়াৰ সুযোগ পাইছিল যদিও ফৰৱাৰ্ড লাইনৰ খেলুৱৈসকলৰ দুৰ্বলতাৰ বাবে গ'ল দিয়াত ব্যৰ্থ হয়। খেলখনত কটহগুৰি এফ চিৰ গ'লৰক্ষক শচীন বসুমতাৰীয়ে দৃষ্টিনন্দন প্ৰদৰ্শনৰে ক্ৰীড়াপ্ৰেমীক মুগ্ধ কৰে। ক্ৰীড়া সংগঠক নাৰায়ণ বসুমতাৰী মেচ কমিচনাৰৰূপে থকা আজিৰ খেলখন পৰিচালনা কৰাত ৰেফাৰী নিজম তামুলাৰীক সহায় কৰে প্ৰেম নাৰ্জাৰী, অমন বৰদলৈ আৰু বাজু টিচ'য়ে। লাংহিন তিনিআলি ক্ৰীড়া সন্থাৰ সাধাৰণ সম্পাদক টংকেশ্বৰ খাখলাৰী আৰু বড়ো শ্বহীদ ন্যাসৰ সম্পাদক কিৰণ বসুমতাৰীয়ে জনোৱামতে, শণিবাৰে বিয়লি ডেৰ বজাত অনুষ্ঠিত হ'বলগীয়া দ্বিতীয়খন ছেমিফাইনেলত হোজাইৰ ঠাবাল এফ চিয়ে লাংহিনৰ ৰংজালু ক্লাবৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)
কাৰ্যবাহী সম্পাদক
ধ্ৰুৱজ্যোতি ধনন্তৰি